## পুনৰ গুৱাহাটীত যুৱতী মৃত্যুৰ ঘটনা

ই-সংবাদ, ৯ জানুৱাৰীঃ পুনৰ আন এগৰাকী যুৱতীৰ মৃতদেহ ৰহস্যময় অৱস্থাত উদ্ধাৰ হৈছে মৃতদেহ। ৫ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

FRIDAY, JANUARY 10, 2025 ■ শুকুৰবাৰ, ২৫ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৬ Guwahati, Assam ।। মূল্যঃ এটকা

## জুইত জাহ গ'ল লছ এঞ্জেলছ, ৫ জনৰ মৃত্যু

# বনজুইৰ কবলত আমেৰিকাৰ কেলিফৰ্ণিয়া

নিউয়ৰ্ক, ৯ জানুৱাৰীঃ প্ৰকৃতিৰ ৰুদ্ৰৰূপত ত্ৰস্ত হৈ পৰিছে আমেৰিকাৰ লছ এঞ্জেলছ। কেলিফৰ্ণিয়াৰ কেইবাখনো চহৰ আগুৱৰি ধৰিছে ভয়ংকৰ অগ্নিকাণ্ডই। পাহাৰীয়া অঞ্চলৰ পৰা আৰম্ভ হোৱা এই অগ্নিকাণ্ড ক্ৰমান্বয়ে বিয়পি পৰিছে নগৰ অঞ্চললৈ। এই বিধ্বংসী ৩ পৃষ্ঠাত চাওক



আমেৰিকাৰ ভয়াৱহ বনজুইৰ এটি দৃশ্য

## তিৰুপতি মন্দিৰত পদপিষ্ট হৈ ৬ জন নিহত

তিৰুপতি, ৯ জানুৱাৰীঃ অন্ধ্ৰ প্ৰদেশৰ তিৰুমালা তিৰুপতি মন্দিৰত ভগৱানৰ দৰ্শন বিচাৰি প্ৰাণ হেৰুৱাবলগীয়া হ'ল ৬ ভক্তই। বুধবাৰে সন্ধিয়া বিষ্ণু নিৱাসম সমীপত সংঘটিত হোৱা এই শোকাৱহ ঘটনাত গুৰুতৰভাৱে ২ পৃষ্ঠাত চাওক

## ৰাইজৰ সুখ কাঢ়িছে বিজেপিয়েঃ গৌৰৱ



ই-সংবাদ, যোৰহাট, ৯ জানুৱাৰীঃ যোৰহাট জিলা কংগ্ৰেছ ভৱনত সংবাদমেল সম্বোধন কৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰক তুলাধুনা দিলে গৌৰৱ গগৈয়ে। যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গগৈৰ সৈতে সংবাদমেলত উপস্থিত থাকে যোৰহাট জিলা কংগ্ৰেছৰ সভাপতি পুতুল বুঢ়াগোহাঁই, নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ বিশেষ তত্বাৱধায়ক, ছত্তীছগড়ৰ প্ৰাক্তন বিধায়ক বিকাশ উপাধ্যায়, তিতাবৰ সমষ্টিৰ বিধায়ক ২ পৃষ্ঠাত চাওক

## চতুৰ্থ দিনত এজনো শ্ৰমিক উদ্ধাৰ নহ'ল

ই-সংবাদ, ৯ জানুৱাৰীঃ উমৰাংছুৰ অবৈধ কয়লাখনিত উদ্ধাৰ অভিযান যিমানে বিলম্ব হৈছে সিমানে উৎকণ্ঠা বৃদ্ধি পাইছে। যিকেইটা পৰিয়ালৰ সদস্য ৩০০ ফুট শেষাংশ ৩ পৃষ্ঠাত

## হাই কৰ্টৰ স্থানান্তৰকৰণৰ বিৰোধিতা

ই-সংবাদ, ৯ জানুৱাৰীঃ কোনো কাৰণত গুৱাহাটী উচ্চ ন্যায়ালয় উত্তৰ গুৱাহাটীলৈ নিয়াৰ পক্ষত নাই অধিবক্তা সমাজ। আজি এই কথা স্পষ্ট কৰি গুৱাহাটী উচ্চ শেষাংশ ৪ পৃষ্ঠাত

## অভিনেত্ৰী জ্ঞানদা কাকতি আৰু নাই

ই-সংবাদ, ৯ জানুৱাৰীঃ ইংৰাজী নৱবৰ্ষৰ আৰম্ভণিতে অসমৰ অভিনয় তথা চলচ্চিত্ৰ জগতৰ অন্যতম উজ্বল নক্ষত্ৰ এটা খহি শেষাংশ ৫ পৃষ্ঠাত

### যাত্ৰীৰ মাজত হাহাকাৰ

## তেল কিনিবলৈ ধন নাই! মাজুলীত নচলে ৰ'পেক্স



ই-সংবাদ, মাজুলী, ৯ জানুৱাৰীঃ নিমাতী ঘাটত হোৱা ফেৰী দুৰ্ঘটনাৰ পাছত বিভাগীয় মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মাজুলীত নিজে বাহৰ শেষাংশ ২ পৃষ্ঠাত

## জলমিত্ৰই জ্বলাইছে জয়ন্তক, আকৌ প্ৰতিবাদ

ই-সংবাদ, ৯ জানুৱাৰীঃ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিবাদ নেদেখা অসমত এতিয়া নিতৌ প্ৰতিবাদত উত্তাল হ'ব ধৰিছে। নতুন বছৰৰ প্ৰথম দিনটোৰ পৰা ডিমা হাচাওত চিণ্ডিকেট, ভূ-মাফিয়াগিৰি, কয়লা-চূণশিলৰ অবৈধ খননৰ ৪ পৃষ্ঠাত চাওক

## সৰুসজাইত শিৰৰাজ

ই-সংবাদ, ৯ জানুৱাৰীঃ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত নিৰ্মাণ কৰা ৫০ হাজাৰ পৰিয়ালে আজি নতুন গৃহত প্ৰৱেশ কৰে। আজি গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত কেন্দ্ৰীয় শেষাংশ ৬ পৃষ্ঠাত

### সংবাদমেলত মুখ্যমন্ত্ৰীক প্ৰশ্ন প্ৰাক্তন সাংসদ ৰিপুণ বৰাৰ

## ঋণ লৈ অসম শীৰ্ষ ৰাজ্য হ'ব কেনেকৈ?

ই-সংবাদ, ৯ জানুৱাৰীঃ প্ৰাক্তন সাংসদ তথা প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰিপুণ বৰাই আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত এখন সংবাদমেল সম্বোধন কৰি অসমক ভাৰতৰ এক




সৰ্বশ্ৰেষ্ঠ ৰাজ্যত পৰিণত কৰিম বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমৰ ৰাইজক ভুৱা সপোন দেখুৱাই আহিছে বুলি গুৰুতৰ অভিযোগ শেষাংশ ৫ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# তেল কিনিবলৈ ধন নাই! মাজুলীত

পাতি যোৰহাট-মাজুলীৰ জল যাতায়ত সূচল কৰাৰ লগতে এমাহৰ ভিতৰতে কেইবাখনো নতুন ফেৰী সংযোজন কৰি মাজুলীৰ আফলামূখ আৰু কমলাবাৰী পাৰ ঘাটক নতুনত্ব প্ৰদান কৰিছিল। দুখনকৈ ৰ'পেক্স জাহাজো আফলামূখ ঘাটেৰে চলাচল কৰি ফেৰী যাত্ৰীসকলক উন্নত মানৰ জল যাতায়ত প্ৰদান কৰিছিল। নিমাতী ফেৰী দুৰ্ঘটনাৰ পিছতেই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজেই দুবাৰকৈ যোৰহাট আৰু মাজুলীত উপস্থিত হৈ সকলো দিশ চালিজাৰি চাই চিংগল ইঞ্জিনৰ কাঠৰ ফেৰীসমূহ অনিৰ্দিষ্ট কালৰ বাবে চলাচলত নিষেধাজ্ঞা আৰোপ কৰিছিল। ইয়াৰ বিকল্প হিচাপে তেতিয়া চৰকাৰী নতুনকৈ দিয়া জাহাজ আৰু ৰ'পেক্স ভেচেলৰ জড়িয়তে যোৰহাট-মাজুলীৰ জল যাতায়ত অব্যাহত ৰখাত গুৰুত্ব আৰোপ কৰিছিল। কিন্তু পিছত চিংগল ইঞ্জিনৰ ফেৰীত চৰকাৰে দিয়া মেৰাইন ইঞ্জিন সংস্থাপন কৰি হলেও পুনৰ ব্ৰহ্মপুত্ৰত চৰকাৰী জাহাজৰ সমান্তৰালভাৱে চিংগল ইঞ্জিনৰ কাঠৰ ফেৰী সমূহৰেও বৰ্তমান জল যাতায়ত অব্যাহত আছে। নিমাতীৰ ঘটনাও সম্প্ৰতি পাহৰণিৰ গহ্বৰত সোমাই পৰাৰ দৰে যোৰহাট-মাজুলী জল যাতায়ত কেনেদৰে চলি আছে ৰাইজেও যেন এতিয়া বিশেষ চকু দিয়া পৰিলক্ষিত নহয়। কিন্তু আজি সকলোকে আচৰিত কৰি তেলৰ অভাৱত যোৰহাট-মাজুলী জলপথত বন্ধ হৈ পৰিল চৰকাৰী ফেৰী সেৱাসমূহ। তেলৰ অভাৱত বন্ধ হৈ পৰিল ৰ'পেক্সকে ধৰি বিভাগীয় ফেৰীসমূহ। ইয়াৰ পৰিপ্ৰেক্ষিতত অফলামুখ আৰু দক্ষিণপাটলৈ স্থানান্তৰিত কমলাবাৰী ঘাটৰ যাত্ৰীৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়। ৰ'পেক্সত টিকট কাটিও আজি ৰ'পেক্স নাপাই ঘাটতে বোন্দাপৰ দিবলগীয়া হয় ফেৰী যাত্ৰীসকলে। জানিব পৰা মতে, এন আৰ এলক তেলৰ বকেয়া ধন আদায় নিদিয়াৰ ফলতেই বন্ধ হ'ল আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ ফেৰী সেৱা। এই কথা আজি পোহৰলৈ অহাৰ পিছতেই ৰাজ্য চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ চূড়ান্ত অকৰ্মন্যতা পুনৰবাৰ প্ৰতিষ্ঠা হোৱাৰ লগতে বিভাগটো যে ইমানৰ পিছতো সংবেদনশীল নহয় তাকেই প্ৰমাণ হ'ল বুলি ৰাইজে মন্তব্য কৰিছে। ইফালে এক গোপন সূত্ৰই জানিবলৈ দিয়া মতে, ব্যক্তিগত ফেৰীক ট্ৰীপ দিয়াৰ ই এটা ডাঙৰ কৌশল হোৱাৰ লগতে ক্ৰমে ৰাইজক ব্যক্তিগত চিংগল ইঞ্জিনৰ ফেৰীকেই ভৰসা কৰি ল'বলৈ বাধ্য কৰোৱাৰো এক চক্ৰান্ত বুলিও সূত্ৰটোৱে জানিবলৈ দিয়ে। বৰ্তমানলৈকে নিমাতী-মাজুলী ফেৰী ঘাটত দুখন ৰ'পেক্সসহ মুঠ ৮ খন চাৰিচকীয়া বাহন কঢ়িওৱা চৰকাৰী জাহাজ থকাৰ বাবে ৰাইজে চিংগল ইঞ্জিনৰ ফেৰীতেই গাড়ী কঢ়িয়াবলৈ বাধ্য ইতিমধ্যে হৈছেই। উল্লেখযোগ্য যে, এটা সময়ত বিশেষকৈ অফলামুখ ঘাটত বিএলচিৰ নামত চলি অহা ভয়ংকৰ ৰাজহ ফাঁকি, মূল ৰাজহতকৈ তেল মবিলৰ ব্যয় বেছি আৰু ফেৰীৰ বয়-বস্তুৰ নামত সংগ্ৰহিত ৰাজহ হিচাপ নোলোৱা ইত্যাদি অভিযোগৰ বাবে বিভাগীয় বিষয়াও নিলম্বিত হ'বলগীয়াও হৈছিল। কিন্তু তেনে এটা বিভাগৰ এতিয়া তেল কিনিবলৈকে ধনৰ অভাৱ ঘটাত ৰাইজ হতভম্ব হৈ পৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাইজৰ সুখ কাঢ়িছে বিজেপিয়েঃ গৌৰৱ

ভাস্কৰ জ্যোতি বৰুৱাৰ লগতে মহিলা কংগ্ৰেছ, এন এছ ইউ আইকে ধৰি জিলা কংগ্ৰেছৰ বহু বিষয়ববীয়া। সংবাদমেল সম্বোধন কৰি গৌৰৱ গগৈয়ে কয় যে আজি দেশজুৰি নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে সংবাদমেলৰ জড়িয়তে এটা আহ্বান জনাব বিচাৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী প্ৰমুখ্যে কেন্দ্ৰক অহা ফেব্ৰুৱাৰী মাহৰ প্ৰথম তাৰিখে কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰিবলগীয়া বাজেটত নতুন জিএছটি নীতি প্ৰৱৰ্ত্তন কৰাৰ আহ্বান জনাইছে নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে। বিগত লোকসভা নিৰ্বাচনতো কংগ্ৰেছ দলে কেন্দ্ৰত চৰকাৰ হ'লে জিএছটি ২.০ প্ৰৱৰ্ত্তন কৰাৰ প্ৰতিশ্ৰুতি নিৰ্বাচনী ইস্তাহাৰত ঘোষণা কৰিছিল বুলি উল্লেখ কৰে গৌৰৱ গগৈয়ে। গৌৰৱ গগৈয়ে কয়, 'যদিও আমি বৰ্তমান ক্ষমতাত নাই, তথাপিও আমি মোদী ডাঙৰীয়াক বৰ্তমান সময়তো জিএছটি ২.০ কাৰ্যকৰী কৰিবলৈ আহ্বান জনাইছো।' আজিৰ তাৰিখত নতুন জিএছটি কিয় লাগে তাৰ বিস্তৃত বিৱৰণ দাঙি ধৰিলে গৌৰৱ গগৈয়ে। গৌৰৱ গগৈয়ে কয়, বৰ্তমান জিএছটিৰ ফলত দৰিদ্ৰ আৰু মধ্যম বৰ্গ প্ৰভাৱিত হৈছে। চৰকাৰে গাখীৰ, দাইল আদি নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ ওপৰত জিএছটি আৰোপ কৰাৰ ফলত নিম্ন আৰু মধ্য আয়ৰ লোকসকলে জিয়াতু ভুগিছে। দেশৰ ধনকুবেৰ লোকসকলৰ সমগ্ৰ জিএছটিত মাত্ৰ ৩% যোগদান আছে, বিপৰীতে দুখীয়া লোকসকলে সকলোতে ৫০ শতাংশৰো অধিক জিএছটি ভৰিব লগা হয়। বৰ্তমানৰ জিএছটিক 'গব্বৰ সিং টেক্স' আখ্যা দিয়ে গৌৰৱ গগৈয়ে। তেওঁ কেন্দ্ৰীয় চৰকাৰৰ ২০২৫ চনৰ বিত্তীয় বাজেটত নতুন জিএছটি নীতি প্ৰৱৰ্ত্তন কৰাৰ দাবী জনোৱাৰ লগতে অন্যান্য বহুকেইটা প্ৰশ্নৰো উত্তৰ দিয়ে। চাহ উদ্যোগটোক বিজেপি চৰকাৰে ধ্বংসৰ গৰাহলৈ ঠেলি দিয়াৰ অভিযোগ কৰে গৌৰৱ গগৈয়ে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাকো টাৰ্গেটিত ল'লে গৌৰৱ গগৈয়ে। জালুকনিবাৰীত উচ্ছেদৰ পৰা আন্তঃৰাজ্যিক সীমা সমস্যালৈ আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সম্পত্তিক লৈ মন্তব্য কৰে গৌৰৱ গগৈয়ে। গৌৰৱ গগৈয়ে কয়, "মুখ্যমন্ত্ৰীয়ে কয় অসমক দেশৰ শীৰ্ষ ৰাজ্যৰ স্থানলৈ লৈ যাব। মই এইটো নিশ্চিত নহয় যে তেওঁ অসমক দেশৰ শীৰ্ষ ৰাজ্যৰ স্থানলৈ নিব পাৰিব নে নোৱাৰে, কিন্তু এইটো নিশ্চিত যে তেওঁ দেশৰ আটাইতকৈ ধনী মুখ্যমন্ত্ৰীৰ তালিকাত সন্নিৱিষ্ট হ'ব।" গৌৰৱ গগৈয়ে লগতে প্ৰশ্ন কৰে যে এডভান্টেজ আছাম প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ দিনত হৈছিল যদিও ইয়াৰ পৰা অসম কিমান লাভবান হ'ল? ব্ৰহ্মপুত্ৰৰ ওপৰত চীনে বৃহৎ নদী বান্ধ নিৰ্মাণ কৰিছে, কিন্তু নৰেন্দ্ৰ মোদীয়ে চীনক ৰঙাচকু দেখুৱাব পৰা নাই। আগ্ৰাসী চীনে ভাৰতৰ ভূমি দখল কৰিছে, আনহাতে ভাৰতৰ বিদেশ মন্ত্ৰীয়ে মিডিয়া চেনেলৰ প'ডকাষ্টত কৈছে মই চীনৰ সৈতে কেনেকৈ যুঁজিম, চীন ডাঙৰ অৰ্থনীতি, ভাৰত সৰু অৰ্থনীতি! এই সংবাদমেলত বিদেশ মন্ত্ৰীৰ ভূমিকাকো সমালোচনা কৰে গগৈয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# তিৰুপতি মন্দিৰত পদপিষ্ট হৈ ৬ জন

আহত হয় আন বহু ভক্ত। তিৰুমালাৰ শ্ৰীবাৰী বৈকুণ্ঠ দ্বাৰৰ টিকট কাউণ্টাৰৰ সমীপত সংঘটিত হয় এই কৰুণ ঘটনা। জানিব পৰা মতে, মন্দিৰ দৰ্শনৰ বাবে টোকেন সংগ্ৰহ কৰিবলৈ ভক্তৰ মাজত হেতাওপৰা লগাৰ সময়তে পদপিষ্ট হৈ বহু লোক। তিৰুমালা তিৰুপতি দেৱস্থানমৰ (টিটিডি) কৰ্তৃপক্ষই জনোৱা মতে, বৈকুণ্ঠ দ্বাৰৰ দৰ্শন কৰিবলৈ শ্ৰীবাৰী মন্দিৰত বহু ভক্ত সমবেত হৈছিল। ইফালে ঘটনাৰ পিছত ততাতৈয়াকৈ আহতসকলক স্থানীয় চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। তথ্য লাভ কৰাৰ লগে লগে আৰক্ষীয়ে সেই স্থানত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। স্থানীয় আৰক্ষীয়ে জনোৱা মতে, বৈকুণ্ঠ দ্বাৰৰ টিকট ক্ৰয় কৰিবলৈ তিৰুমালা পাহাৰৰ ভেংকটেশ্বৰ স্বামী মন্দিৰত শতাধিক ভক্তই সমবেত হোৱাৰ সময়তে এই দুৰ্ঘটনা সংঘটিত হয়। অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডুৱে এই কৰুণ ঘটনাৰ পিছত গভীৰ শোক প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী কাৰ্যালয়ে ঘটনা সন্দৰ্ভত তদন্তৰ নিৰ্দেশ দিয়াৰ লগতে উচ্চপদস্থ বিষয়াসকলক ক্ষিপ্ৰতাৰে ঘটনাস্থলীত উপস্থিত হৈ ব্যৱস্থা ল'বলৈ কয়। মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডুৱে বৃহস্পতিবাৰে তিৰুপতি ভ্ৰমণ কৰি মৃতকৰ পৰিয়ালক সাক্ষাৎ কৰি আহতসকলৰ চিকিৎসাৰ বুজ লয়। ইফালে এই ঘটনাত শোক প্ৰকাশ কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও। তেওঁ টুইটত লিখিছে, "অন্ধ্ৰপ্ৰদেশৰ তিৰুপতিত হোৱা পদপিষ্টৰ ঘটনাত দুখ পাইছো। যিসকলে তেওঁলোকৰ আত্মীয় লোকসকলক হেৰুৱাইছে তেওঁলোকৰ প্ৰতি মোৰ গভীৰ সমবেদনা জ্ঞাপন কৰিছো। মই আঘাতপ্ৰাপ্তসকলৰ আশু-আৰোগ্যৰ কামনা কৰিছো। অন্ধ্ৰপ্ৰদেশ চৰকাৰে ক্ষতিগ্ৰস্ত লোকসকলক সম্ভৱপৰ সকলো সহায় আগবঢ়াইছে।" ঘটনাটোক লৈ লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়েও শোক প্ৰকাশ কৰিছে। ইফালে, এই ঘটনাক লৈ সমগ্ৰ ৰাজ্যখনতে প্ৰতিক্ৰিয়া অব্যাহত আছে। চৰকাৰে তদন্ত ঘোষণা কৰাৰ কথাও সদৰী কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বনজুইৰ কবলত আমেৰিকাৰ

অগ্নিকাণ্ডৰ ফলত ইতিমধ্য জ্বলি ভস্মীভূত হৈছে প্ৰায় এক হাজাৰ বাসগৃহ। অগ্নিকাণ্ডৰ ফলত ৫ জন লোক নিহত হোৱাৰ লগতে আহত হৈছে আন বহু লোক। ভয়ংকৰ পৰিস্থিতিৰ বাবে লাখ লাখ লোকে ঘৰ-বাৰী এৰি ঢাপলি মেলিছে সুৰক্ষিত স্থানলৈ। পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হৈছে। অৱসৰপ্ৰাপ্ত অগ্নিনিৰ্বাপক বাহিনীৰ লোকক পুনৰ নিযুক্তি দিয়া হৈছে। খবৰ অনুসৰি লছ এঞ্জেলছৰ পাহাৰীয়া অঞ্চলৰ পৰা ছান্টা মনিকা আৰু মালিবুকে ধৰি আন চাৰিটা স্থানলৈ জুই বিয়পি পৰিছে। ঘন জনবসতিপূৰ্ণ অঞ্চলৰ পৰা বাসিন্দাসকলক ক্ষিপ্ৰতাৰে উলিয়াই অনা হৈছে। এই পৰ্যন্ত ৭০ হাজাৰৰো অধিক লোকক সুৰক্ষিত স্থানলৈ স্থানান্তৰ কৰা হৈছে। কিন্তু জুইৰ তীব্ৰতাৰ বাবে ক্ষয়-ক্ষতিৰ পৰিসৰ বৃদ্ধি পাইছে। অগ্নিনিৰ্বাপক বাহিনী আৰু উদ্ধাৰকাৰী দলৰ সদস্যও আহত হৈছে উদ্ধাৰ অভিযানৰ সময়ত। ইফালে দুৰ্যোগৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি বিদায়ী ৰাষ্ট্ৰপতি জো বাইডেনে তেওঁৰ পূৰ্ব নিৰ্ধাৰিত ইটালী ভ্ৰমণ বাতিল কৰিছে। বুধবাৰে তেওঁ লছ এঞ্জেলছ ভ্ৰমণ কৰি অগ্নিনিৰ্বাপক বাহিনী আৰু উদ্ধাৰকাৰী দলৰ সৈতে সাক্ষাৎ কৰে। হোৱাইট হাউছে কয় যে কেলিফৰ্ণিয়াত এক বৃহৎ দুৰ্যোগ ঘোষণা কৰা হৈছে। ৰাষ্ট্ৰপতি বাইডেনে সমগ্ৰ পৰিস্থিতিৰ ওপৰত নজৰ ৰাখিছে। বৰ্তমান দক্ষিণ কেলিফৰ্ণিয়াৰ বিভিন্ন অঞ্চল বনজুইৰ ফলত বিধ্বস্ত হৈ পৰিছে। প্ৰশাসনে নিজৰ সমস্ত ক্ষমতা ব্যৱহাৰ কৰি পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা কৰিছে যদিও বৰ্তমানো অগ্নিকাণ্ডৰ সংহাৰ ৰোধ কৰিবলৈ সক্ষম হোৱা নাই। এই ঘটনাত একপ্ৰকাৰ অসহায় হৈ পৰিছে আমেৰিকা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চতুৰ্থ দিনত এজনো শ্ৰমিক

দ' গহ্বৰত সোমাই আছে সেই পৰিয়ালকেইটাৰ চকুৰ টোপনি নোহোৱা হৈছে। আপোনজন জীয়াই আছে নে নাই সেই কথাও এই পৰ্যন্ত অৱগত নহয় পৰিয়ালসমূহ। আজি উমৰাংছুৰ উদ্ধাৰ অভিযানৰ চতুৰ্থ দিন। তৃতীয় দিনটোত এটা মৃতদেহ উদ্ধাৰ হৈছিল। ৬ জানুৱাৰীৰ আবেলিৰ পৰা চলা অভিযানৰ তৃতীয় দিনটোত পেৰা ২১ৰ ডুবাৰুৱে নেপালৰ উদয়পুৰ জিলাৰ খনিকৰ্মী গংগা বাহাদুৰ শ্ৰেষ্ঠৰ মৃতদেহ উদ্ধাৰ কৰিছিল। আজি আৱদ্ধ লোকক উদ্ধাৰ কৰিব পাৰিব বুলি আশা কৰা হৈছিল যদিও সেয়া সম্ভৱ নহ'ল। এই পৰ্যন্ত কয়লাখনিত ৮ জন শ্ৰমিক আৱদ্ধ হৈ থকাৰ সন্দেহ কৰা হৈছে। আজি চতুৰ্থটো দিনত শ্ৰমিকসকলক উদ্ধাৰৰ বাবে নৌ সেনাৰ বিশেষ ডুবাৰু সুৰংগ সদৃশ গাতত প্ৰৱেশ কৰিছিল। এনডিআৰএফ, সেনাৰ সহায়ত নৌ সেনাৰ বিশেষ ডুবাৰু ভিতৰত প্ৰৱেশ কৰিছিল যদিও কোনো লোকক উদ্ধাৰ কৰি আনিবলৈ সক্ষম নহ'ল। খনিৰ ভিতৰৰ পানী নিষ্কাশনৰ বাবে বায়ু সেনা, অ'এনজিচিৰ পানী নিষ্কাশন মেচিন ব্যৱহাৰ কৰা হৈছে। কিন্তু পানী কমি অহাৰ নামেই লোৱা নাই। কিয়নো পূৰ্বে কয়লা খনন কৰি উলিওৱা গাঁতৰ সৈতে গাঁতটো একত্ৰিত হোৱাত পানীৰ লেভেল কমা নাই। যিমানে পানী সিঁচি থকা হৈছে সিমানে পানী বাঢ়ি গৈ আছে। বৰ্তমানেও ৩০০ ফুট দৈৰ্ঘ্যৰ গাঁটোত প্ৰায় ১০০ ফুটলৈ পানী আছে। তৃতীয় দিনটোত আকাশ মেঘাচ্ছন্ন হৈ থকাৰ লগতে নিশা কিছু পৰিমাণে বৃষ্টিপাত হোৱাত জাৱৰ প্ৰকোপ বৃদ্ধি পোৱাৰ লগতে ঘোপমৰা এন্ধাৰ হৈছিল সুৰংগত। যাৰ বাবে অভিযানত বাধা আহিছিল। আজি আকাশ মুকলি হৈ থকাৰ লগতে পানী সিঁচি থকাত অভিযান চলাবলৈ সক্ষম হয় যদিও এটাও এজনো লোকক উলিয়াই আনিবলৈ সক্ষম নহ'ল। আজি ভাৰতীয় সেনা, নৌসেনা, এছডিআৰএফ, এনডিআৰএফৰ লগতে ক'ল ইণ্ডিয়া লিমিটেডে উদ্ধাৰ অভিযানত অংশ লয়। গাঁতৰ পৰা পানী নিষ্কাশনত ক'ল ইণ্ডিয়া লিমিটেডে নাগপুৰৰ এটা উচ্চ ক্ষমতাসম্পন্ন পাম্প আনিছে। অএনজিচিৰ পৰাও এটা উচ্চ ক্ষমতা সম্পন্ন পাম্প অনা হৈছে। আজি পুৱাৰ ভাগৰ পৰা উচ্চ ক্ষমতাসম্পন্ন পাম্পেৰে পানী সিঁচিবলৈ ধৰাত পানীৰ স্তৰ সামন্য কমি অহাত নৌসেনাৰ ডুবাৰু খনিত প্ৰৱেশ কৰিছিল। আজি নৌসেনাৰ ডুবাৰু গাতত সোমাই পানী হাতেৰে খেপিয়াই শ্ৰমিকসকলৰ সন্ধান কৰে। কিয়নো ডুবাৰুসকলে গাতৰ পৰিসৰ অত্যন্ত ঠেক হোৱাত লগত সা-সৰঞ্জাম নিয়াত সমস্যাত পৰিছে। যোৱা দুদিন কিছু সা-সৰঞ্জাম নি শ্ৰমিকৰ সন্ধান কৰিছিল। কিন্তু ঠেক সুৰংগত অক্সিজেন চিলিণ্ডাৰৰ সৈতে অন্য সা-সৰঞ্জাম নিয়াত সমস্যা হোৱাত পানীত হাতেৰে খেপিয়াই শ্ৰমিকৰ সন্ধান কৰা বুলি জানিব পৰা গৈছে। কালিলৈ ৰাজ্য চৰকাৰৰ খনি আৰু খনিজাত বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, জিলাখনৰ অভিভাৱক মন্ত্ৰী ৰূপেশ গোৱালা, ডিমা হাচাও স্বাসত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাই উদ্ধাৰস্থলীত বাহৰ পাতি আছিল। কিন্তু আজি পুৱাৰ পৰা পৰা চৰকাৰৰ প্ৰতিনিধিৰ সেৰেঙা উপস্থিতি দেখা গৈছে। আজি দুয়ো মন্ত্ৰীক অতি কম সময় উপস্থিত থকা দেখা যায়। ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ প্ৰতিনিধিও উদ্ধাৰস্থলীত উপস্থিত নাই। সেনা, এনডিআৰএফ, এছডিআৰএফ, নৌসেনাৰ বিষয়াহে উপস্থিত আছে। উদ্ধাৰথলীত ৰাজ্য চৰকাৰৰ তৎপৰতা একেবাৰে কম। ৰেট হল মাইনিং কৰা খনিটো অবৈধ বুলি ইতিমধ্যে প্ৰমাণিত হৈছে। অসম খনিজ উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক নটৰাজন আনন্দৰ জ্ঞাতসাৰে এই ভয়ংকৰ কাণ্ড সংঘটিত হৈ থকাৰ অভিযোগ উঠিছে। নটৰাজন আনন্দ আৰু বিজেপি নেতা তথা ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইৰ নেতৃত্বত ৰেট হোল মাইনিং কৰা হয় বুলি স্থানীয় লোকে বাৰে বাৰে অভিযোগ আনিছে। কিন্তু চৰকাৰে কণিকা হোজাই আৰু নটৰাজন আনন্দৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। খনিটোত অবৈধভাৱে খনন কৰা হৈছিল বুলি জনাৰ পিছতো পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হোৱা নাই। অভিযোগ স্থানীয় লোক আৰু একাংশ নাম প্ৰকাশত অনিচ্ছুক বিজেপি নেতাই প্ৰকাশ কৰিছে। বিজেপি নেতা তথা উত্তৰ কাছাৰ পাৰ্বত্য পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইয়ে খন্দা গাতত পৰা শ্ৰমিক আৱদ্ধ হৈ থকাত ৰাজ্য চৰকাৰে কণিকা হোজাইৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ সাহস গোটাব পৰা নাই। এনেদৰে এতিয়া বিষয়টোক লৈ ৰাজ্যজুৰি প্ৰতিক্ৰিয়া হৈছে।

# প্ৰাকৃতিক সম্পদৰ অবৈধ বেহা অব্যাহত আছেঃ এবিভিপি

**ই-সংবাদ, ৯ জানুৱাৰীঃ** উমৰাংছু কাণ্ডৰ পিছতে ৰাজ্যত চলি থকা অবৈধ কয়লাৰ চিণ্ডিকেট আৰু খনন কাৰ্য চলি থকাৰ কথা পোহৰলৈ অহাত তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত থকাৰ সময়তে আজি এক বিবৃতিযোগে হিন্দুত্ববাদী আদৰ্শৰ ছাত্ৰ সংগঠন অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে এই ঘটনাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বিবৃতি যোগে ছাত্ৰ সংগঠনটোৱে ৰাজ্যৰ বহু কেইখন জিলাত কয়লাকে ধৰি বিভিন্ন প্ৰাকৃতিক সম্পদৰ অবৈধ বেহা অব্যাহত থকাৰ গুৰুতৰ অভিযোগ উত্তাপন কৰাৰ লগতে উদ্ধাৰ অভিযান খৰতকীয়া কৰাৰ দাবী উত্থাপন কৰিছে। হিন্দুত্ববাদী আদৰ্শৰ ছাত্ৰ সংগঠনটোৰ অসম প্ৰদেশৰ ৰাজ্যিক সম্পাদক হেৰল্ড মহনে প্ৰকৃতিক সম্পদৰ অবৈধ বেহা অভিযোগ উত্থাপন কৰিছে। হেৰল্ড মহনে উমৰাংছুৰ শোকাৱহ ঘটনাৰ উদ্ধাৰ অভিযান অধিক খৰতকীয়া কৰাৰ দাবী জনাই কয় যে ডিমা হাচাও জিলাৰ উমৰাংছুত কয়লাখনিত এক শোকাবহ দুৰ্ঘটনাৰ ফলত কেইবাগৰাকী শ্ৰমিক নিৰুদ্দেশ হোৱাৰ ঘটনা পোহৰলৈ আহিছে। হেৰল্ড মহনে বিবৃতিত আৰু কয় যে ইতিমধ্যে এগৰাকী শ্ৰমিকৰ মৃতদেহ উদ্ধাৰকাৰী দলটোৱে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। এনে ধৰণৰ ঘটনা অতিকৈ দুৰ্ভাগ্যজনক। অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ অসম প্ৰদেশে এতিয়াও আবদ্ধ হৈ থকা শ্ৰমিকসকলৰ উদ্ধাৰ অভিযান অতি খৰতকীয়াকৈ কৰিবলৈ চৰকাৰৰ তথা প্ৰশাসনক আহ্বান জনাইছে। প্ৰাকৃতিকভাৱে চহকী ডিমা হাছাও জিলাকে প্ৰমুখ্য কৰি বাকী বহু কেইখন জিলাত চলি থকা অবৈধ খননৰ বিৰুদ্ধে উচিত ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে আজি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদে দাবী জনায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হাই ক'ৰ্টৰ স্থানান্তৰকৰণৰ বিৰোধিতা

ন্যায়ালয় উত্তৰ গুৱাহাটীলৈ নিনিবৰ বাবে অসম চৰকাৰক শেষ সকীয়নি প্ৰদান কৰিছে অধিবক্তা সমাজে। মুখ্যমন্ত্ৰী তথা অসম চৰকাৰক উচ্চ ন্যায়ালয় স্থানান্তৰ নকৰিবলৈ আহ্বান জনাই অহাৰ পিছতো হিমন্ত বিশ্ব শৰ্মা কেবিনেটে উচ্চ ন্যায়ালয়ক স্থানান্তৰ কৰিবলৈ মাটি আৱণ্টনৰ বাবে লোৱা সিদ্ধান্তৰ পিছতে পুনৰ সৰৱ হৈছে অধিবক্তা সমাজ। জ্যেষ্ঠ অধিবক্তা অনিল কুমাৰ ভট্টাচাৰ্যই দিছপুৰখন ৰংমঙহললৈ নিয়াৰ দাবী উত্থাপন কৰে। অনিল কুমাৰ ভট্টাচাৰ্যই কয় যে গুৱাহাটীৰ ভিৰ কমাব লাগিলে দিছপুৰখন ৰংমহললৈ স্থানান্তৰ কৰক। উচ্চ ন্যায়ালয় থাকিব নে দিছপুৰ থাকিব তাক লৈ চৰকাৰে বিতৰ্ক কৰি সিদ্ধান্ত লওক। লগতে ভট্টাচাৰ্যই কয় যে এনে বিষয়বোৰ বিধানসভাত আলোচনা হ'ব লাগে। চৰকাৰে ঋণ লৈছে বহুত হাজাৰ কোটি টকা। বহুত সমস্যা আছে। সেইবোৰ কথাত মনোযোগ দিয়ক। সংবিধানৰ প্ৰসংগ উল্লেখ কৰি অনিল কুমাৰ ভট্টাচাৰ্যই কয় যে গুৱাহাটী উচ্চ ন্যায়ালয় ক'ত যাব সেই সিদ্ধান্ত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশে ল'ব। চৰকাৰে অকলে সিদ্ধান্ত ল'ব নোৱাৰে। কালি অধিবক্তা সমাজে সভা অনুষ্ঠিত কৰি গুৱাহাটী মহানগৰীৰ মাজ-মজিয়াৰ পৰা উচ্চ ন্যায়ালয় স্থানান্তৰ কৰাৰ বিৰোধ কৰিছিল। আজি এক সংবাদমেল সম্বোধন কৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছোচিয়েচনে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছোচিয়েচনৰ সভাপতি কমল নয়ন চৌধুৰী, জ্যেষ্ঠ অধিবক্তা শান্তনু বৰঠাকুৰ আৰু অনিল কুমাৰ ভট্টাচাৰ্যই সংবাদমেল সম্বোধন কৰি অসম চৰকাৰৰ এই সিদ্ধান্তৰ বিৰুদ্ধে প্ৰয়োজনত ৰাজহুৱা স্বাৰ্থ জড়িত আবেদন দাখিল কৰাৰ লগতে ৰাষ্ট্ৰপতি আৰু কেন্দ্ৰীয় আইন মন্ত্ৰীৰ হস্তক্ষেপ বিচাৰিম বুলি হুংকাৰ দিয়ে। উচ্চ ন্যায়ালয় ৰংমহললৈ স্থানান্তৰৰ বাবে কেবিনেটে লোৱা সিদ্ধান্তৰ বিৰুদ্ধে সৰৱ হৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছোচিয়েচনে কয় যে কেবিনেটে সিদ্ধান্ত লোৱাটো পৰিতাপৰ বিষয়। গুৱাহাটী উচ্চ ন্যায়ালয় উত্তৰ গুৱাহাটীৰ ৰংমহললৈ স্থানান্তৰ কৰাৰ বাবে ন্যায়ালয়ে কোৱা নাই। অধিবক্তাসকলেও কোৱা নাই। এই সন্দৰ্ভত পূৰ্বেই চৰকাৰক আপত্তি দৰ্শোৱা হৈছে। আপত্তি দৰ্শোৱাত গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলংখন হোৱাৰ পিছত সিদ্ধান্ত লম বুলি কৈছিল মুখ্যমন্ত্ৰীয়ে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছোচিয়েচনে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক সাক্ষাৎ কৰি আপত্তি দৰ্শাইছিল। মুখ্য ন্যায়াধীশো আমাৰ পক্ষত আছিল। ৮ জানুৱাৰীত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছোচিয়েচনৰ সাধাৰণ অনুষ্ঠিত হয়। সভাই কেবিনেটৰ সিদ্ধান্তক বিৰোধিতা কৰিছে। ৰংমহলত আন্তঃগাঁথনি নাই। চিটিবাছ সেৱা নাই। চৰকাৰৰ এয়া টোঘলকী সিদ্ধান্ত। এইক্ষেত্ৰত কাৰোবাৰ স্বাৰ্থ জড়িত আছে। এই সিদ্ধান্তত ৰাজহুৱা স্বাৰ্থ জড়িত নাই। চৰকাৰে আকোঁৰগোজ হৈ এটা চূড়ান্ত পৰ্যায়লৈ নিলে আমি আদালতত ৰাজহুৱা স্বাৰ্থজড়িত আৱেদন কৰিম। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছোচিয়েচনে আৰু কয় যে উচ্চ ন্যায়ালয় স্থানান্তৰ সন্দৰ্ভত জনতাৰ মতামত লোৱা নাই। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছোচিয়েচনে অৱস্থান ধৰ্মঘট কৰাৰ হুংকাৰ দিয়াৰ লগতে ৰাষ্ট্ৰপতি আৰু আইন মন্ত্ৰীৰ হস্তক্ষেপ দাবী কৰিম বুলিও কয়। ইপিনে অধিবক্তা মৃণাল চৌধুৰীয়ে এয়া চৰকাৰৰ একনায়কত্ববাদী আৰু কেবিনেট সিদ্ধান্ত মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সিদ্ধান্ত বুলি উল্লেখ কৰি ৰংমহললৈ স্থানান্তৰ কৰাৰ সিদ্ধান্তত ৰাজহুৱা স্বাৰ্থ জড়িত নাই বুলি কয়। এনেদৰে এতিয়া চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে খৰ্গহস্ত হৈ পৰিছে অধিবক্তা সমাজ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জলমিত্ৰই জ্বলাইছে জয়ন্তক, আকৌ

বিৰুদ্ধে খোদ বিজেপিৰ নেতা-কৰ্মীয়ে প্ৰতিবাদ কৰি গৈছে। শনিবাৰে জনতা ভৱন ঘেৰাও কৰিবলৈ ওলাই আহিছিল হাজাৰ হাজাৰ টাই-আহোম জনগোষ্ঠীৰ লোক। গুৱাহাটীত আকৌ শৰাইঘাটৰ ৰণ কৰাৰ হুংকাৰ প্ৰদান কৰি দিছপুৰৰ লাষ্টগেটত টাই-আহোম জনগোষ্ঠীৰ কেইবা শতাধিক লোকে জনতা ভৱন ঘেৰাওৰ প্ৰয়াস কৰিছিল। ইপিনে কালিৰে পৰা যোৰহাটত আমৰণ অনশন আৰম্ভ কৰিছে ভূমিপুত্ৰ চুতীয়া জনগোষ্ঠীয়ে। বিজেপি দলে প্ৰৱঞ্চনা কৰাৰ অভিযোগ উত্থাপন কৰি জনজাতিকৰণ আৰু স্বায়ত্ব শাসন প্ৰদানৰ দাবীত যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত আমৰণ অনশন আৰম্ভ কৰিছে। ৰাজ্যত প্ৰতিবাদ নেদেখা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বসবাস কৰা দিছপুৰৰ পৰা কিছু নিলগত এইবাৰ উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে কেবা হাজাৰ জলমিত্ৰই। ৰাজধানী গুৱাহাটী মহানগৰীৰ হেঙেৰবাৰীত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হাজাৰ হাজাৰ জলমিত্ৰই আজি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিছে। হেঙেৰবাৰীস্থিত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মুখ্য অভিযন্তাৰ কাৰ্যালয়ত সমৱেত জলমিত্ৰই বিভিন্ন সমস্যাৰ সমাধানৰ দাবী জনায়। জলজীৱন মিছনৰ নিৰ্মাণৰত আৰু নিৰ্মাণ সম্পূৰ্ণ হোৱা পানী যোগান আঁচনিত নিয়োজিত জলমিত্ৰসকল আজি পুৱাৰে পৰা হেঙেৰাবাৰীত একত্ৰিত হয়। হাতে হাতে প্লেকাৰ্ড, বেনাৰ-পোষ্টাৰ লৈ আকাশ-বতাহ কপাই তোলে। জল জীৱন মিছনৰ অধীনত নিযুক্ত জনস্বাস্থ্য বিভাগৰ কৰ্মীসকলে চৰকাৰে প্ৰতিশ্ৰুতি পূৰণ নকৰা বুলি কয়। বিশেষকৈ চৰকাৰে চাকৰি নিয়মীয়াকৰণ কৰিবলৈ কোনো ব্যৱস্থা নোলোৱা বুলি ক্ষোভ ব্যক্ত কৰে। আজি পুৱাৰে পৰা জলমিত্ৰসকলে জনস্বাস্থ্য বিভাগৰ মুখ্য কাৰ্যালয় ঘেৰাও কৰিবলৈ একত্ৰিত হোৱাৰ পিছতে আৰক্ষী বাহিনী মোতায়েন কৰা দেখা যায়। জলমিত্ৰসকলে পানী যোগান নিশ্চিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ পিছতো ন্যায্য প্ৰাপ্য আৰু সঠিক স্বীকৃতি দিবলৈ অস্বীকাৰ কৰাত হতাশা ব্যক্ত কৰে। পানীৰ যোগানৰ কামত ব্যস্ত জলমিত্ৰই চৰকাৰে প্ৰৱঞ্চনা কৰাৰ অভিযোগ আনি প্ৰতিশ্ৰুতি পূৰণত চৰকাৰৰ ব্যৰ্থতাক সমালোচনা কৰে। জলমিত্ৰসকলে বিভাগীয় মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ বিৰুদ্ধে ক্ষোভ ব্যক্ত কৰি কয় যে মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই প্ৰতিশ্ৰুতি দিছিল যে মুখ্যমন্ত্ৰীয়ে ১ জানুৱাৰীত জ মিত্ৰৰ সকলো কৰ্মচাৰীৰ বাবে এক গুৰুত্বপূৰ্ণ ঘোষণা কৰিব। নতুন বছৰত আন বিভাগৰ বাবে কেইবাটাও আঁচনি প্ৰৱৰ্তন কৰা হৈছে। আমাৰ কথা ক'তো উল্লেখ নাই। প্ৰতিশ্ৰুতিবোৰ কেৱল আমাক সন্তুষ্ট কৰিবলৈ দিয়া হৈছিল। এখন ৰাজ্যই প্ৰতিশ্ৰুতিৰ ওপৰত চলিব নোৱাৰে। আন এজন প্ৰতিবাদী জলমিত্ৰই কয় যে আমি তৎপৰতাৰে কাম কৰি আছো। বিশুদ্ধ খোৱাপানীৰ সুবিধা পোৱাটো নিশ্চিত কৰিছো। কিন্তু আমাৰ অৱদানক উপেক্ষা কৰা হৈছে। ৰাজ্যত আমোলাতন্ত্ৰ চলা বুলি অভিযোগ উত্থাপন কৰি জলমিত্ৰসকলে কয় যে বিভাগীয় মন্ত্ৰীগৰাকীৰ কাৰ্যালয়ৰ যোৱাত আমাক পঞ্চায়ত কাৰ্যালয়লৈ প্ৰেৰণ কৰা হৈছিল। এটা চক্ৰই আমাক অদৃশ্য অনুভৱ কৰিছিল। আমাৰ দাবীক গুৰুত্ব দাবী পূৰণ নোহোৱালৈকে আমি প্ৰতিবাদ কৰি যাম। প্ৰতিবাদকাৰীসকলে আন এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। জেজেএম আঁচনি ৰূপায়নত ব্যাপৰ দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰি আঁচনিত নিয়োজিত শ্ৰমিকসকলৰ বাবে নিৰ্ধাৰিত পুঁজি অপব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰে। একাংশ কৰ্মীয়ে গুৰুতৰ আক্ষেপ কৰি কয় যে আমি কিছুমানে পুৰণি আঁচনিত দশক ধৰি কৰ্মৰত। আমি কষ্ট কৰো। কিন্তু উচ্চপদস্থ বিষয়াসকলে নিৰ্ধাৰিত পুঁজি খিনি হৰলুকি কৰে। জেজেএমৰ অধীনৰ জলমিত্ৰসকলে গ্ৰাম্যঞ্চলৰ পৰিয়ালক নল যোগে পানী যোগান ধৰি আহিছে। চাকৰি নিয়মীয়াকৰণ, বিভাগীয় বিষয়াৰ ভদ্ৰ আচৰণৰ দাবী কৰি জলমিত্ৰসকলে প্ৰতিবাদ কৰি অহাত ৰাজ্যৰ বিভিন্ন এলেকাত পানী যোগান ব্যাহত হৈ পৰিছে। প্ৰতিবাদ কৰি অহা জলমিত্ৰসকলক চৰকাৰৰ প্ৰতিনিধিয়ে সাক্ষাৎ কৰি আলোচনাত বহা নাই। ফলত খোৱাপানী বিচাৰি ৰাইজে হাহাকাৰ কৰিবলগীয়া হৈছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অভিনেত্ৰী জ্ঞানদা কাকতি আৰু নাই

পৰিল। অসমৰ অভিনয় জগতত সোণসেৰীয়া যাত্ৰাক গতি দিয়া অভিনেতা-অভিনেত্ৰীসকলৰ ভিতৰৰ এগৰাকী চিৰসেউজ অভিনেত্ৰী জ্ঞানদা কাকতিয়ে বুধবাৰে জীৱন নাট সামৰিছে। অসমৰ অভিনয় জগতত সোণসেৰীয়া ইতিহাসৰ সাক্ষী চিৰসেউজ অভিনেত্ৰী জ্ঞানদা কাকতিয়ে চুবুৰীয়া ৰাজ্য মেঘালয়ৰ ৰাজধানী শ্বিলঙৰ বেথানি হাস্পতালত চিকিৎসাধীন অৱস্থাতে ইহলীলা সম্বৰণ কৰিছে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৯৩ বছৰ। ৰূপালী পৰ্দাত প্ৰায় ৫টা দশকধৰি নায়িকাৰ লগতে বিভিন্ন চৰিত্ৰত অভিনয় কৰি ব্যাপক জনপ্ৰিয়তা অৰ্জন কৰিছিল। পাৰঘাট বোলছবি খনেৰে অভিনয়ৰ যাত্ৰা আৰম্ভ কৰিছিল। পিয়লি ফুকন, সৰাপাত, লখিমী, ৰঙা পুলিচ, পূবেৰুণ, চাকনৈয়া আদি ছবিত অভিনয় কৰিছিল। তিনিখন বাংলা ছবিত অভিনয় কৰিছিল। দীৰ্ঘলীয়া যাত্ৰাত বহু অসমীয়া বোলছবিত অভিনয় কৰি শ্ৰোতা দৰ্শকক মোহাচ্ছন্ন কৰিছিল। অভিনয়ৰ সমানে সু-কণ্ঠি গায়িকা আৰু নৃত্য পটিয়সী ৰূপে জনাজাত আছিল। অল ইণ্ডিয়া ৰেডিঅ'ত গীত পৰিৱেশন কৰাৰ লগতে নৃত্যৰে শ্ৰোতাক আপ্লুত কৰিছিল। আকাশবাণী ৰেডিঅ' তেতিয়াৰ শ্বিলং আৰু এতিয়াৰ গুৱাহাটীৰ প্ৰথমগৰাকী ঘোষিকা হোৱাৰ লগতে গ্ৰামোফোন ৰেকৰ্ডত গীত গায় গায়িকাৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল। ১৯৮৭ চনত 'প্ৰথম ৰাগিনী' বোলছবিৰ বাবে শ্ৰেষ্ঠ আঞ্চলিক ভাষাৰ ছবিৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল কাকতিয়ে। যশস্বী অভিনেত্ৰীগৰাৰীক অসম চৰকাৰ শিল্পী পেন্সন প্ৰদান কৰিছিল। ২০০২ চনত 'কলাগুৰু বিষ্ণুৰাভা বঁটা' কৰিছিল। বলিষ্ঠ অভিনেত্ৰী, গায়িকা, নৃত্য পটিয়সী হিচাপে পৰিচিত জ্ঞানদা কাকতিৰ মৃত্যু অসমৰ সাংস্কৃতিক জগতৰ বাবে এক অপূৰণীয় ক্ষতি। তদানীন্তন অসমৰ ৰাজধানী শ্বিলঙত সাংস্কৃতিক পৰিয়ালত ১৯৩২ চনত জন্ম হৈছিল জ্ঞানদা কাকতিৰ। শৈশৱৰ পৰাই অভিনয়, নাটক, নৃত্য, গীত-মাতৰ প্ৰতি আগ্ৰহী আছিল। শৈশৱত সতী বেউলা নাটকত অভিনয় কৰিবকৰিছিল। তেতিয়া বিষ্ণুপ্ৰসাদ ৰাভা নৃত্য শিকাবলৈ আৰম্ভ কৰিছিল। পঢ়াকালত অভিনয় কৰিছিল যদিও বিবাহৰ পিছতহে সুখ্যাতি লাভ কৰে। বিয়াৰ পিছত ১৯৪৮ চনত প্ৰবীণ ফুকন পৰিচালিত 'পাৰঘাট' ছবিত অভিনয় কৰিবলৈ সুযোগ পায়। বাৰ্লিন চলচিত্ৰ মহোৎসৱত ১৯৬০ চনত কাকতি অভিনীত 'পূবেৰুণ' ছবিখন ভাৰতীয় প্ৰদৰ্শিত হৈছিল। পূবেৰুণ ছবিখন ৰাষ্ট্ৰপতিৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। কাকতিৰ মৃত্যুত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই শোক প্ৰকাশ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঋণ লৈ অসম শীৰ্ষ ৰাজ্য হ'ব কেনেকৈ?

উত্থাপন কৰিছে। ড০ হিমন্ত বিশ্ব শৰ্মাই ভাৰতৰ পাঁচখন সৰ্বশ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত অসমক এখন কৰিম বুলি সঘনাই কৰা ঘোষণা ফুটুকাৰ ফেন হোৱা বুলি দাবী কৰিছে। অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাৰ উপস্থিতিত সংবাদমেল সম্বোধন কৰি ৰিপুণ বৰাই কয় যে ২০১৬ চনত সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত অসমত বিজেপি চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰা দিনৰে পৰা তেতিয়াৰ বিত্ত, স্বাস্থ্য, গড়কাপ্তানী মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমক ভাৰতৰ এক সৰ্বশ্ৰেষ্ঠ ৰাজ্যত পৰিণত কৰিব বুলি অসমৰ ৰাইজক সপোন দেখুৱাই আহিছে। ২০২১ চনত হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হোৱাৰ দিনৰে পৰা অসমক ভাৰতৰ পাঁচখন সৰ্বশ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন কৰিব বুলি সভা-সমিতি, সংবাদ মেল সকলোতে নেওঁতা পঢ়াৰ দৰে কবলৈ ধৰিলে। কিন্তু কাৰ্য্যক্ষেত্ৰত বিজেপিৰ ৯ বছৰীয়া শাসনকালত বিশেষকৈ হিমন্ত বিশ্ব শৰ্মাৰ মুখ্য মন্ত্ৰীত্বৰ ৪ বছৰীয়া কাৰ্য্যকালত অসমত চিণ্ডিকেট ৰাজৰ জাল পেলাই লুণ্ঠন ৰাজ আৰু জংঘল ৰাজ চলাইছে বুলি কয় ৰিপুণ বৰাই। ৰিপুণ বৰাই অসমক ধৰুৱা আৰু দেউলীয়া ৰাজ্য কৰা বুলি উল্লেখ কৰি কয় যে নজিৰ বিহীন ঋণৰ বোজাৰে ৰাজ্যখনক যি ধৰণে ধৰুৱা আৰু দেউলীয়া কৰিছে। দ্ৰব্যমূল্যৰ আকাশ লম্ভি মূল্যবৃদ্ধি আৰু নিবনুৱা সমস্যাই জনসাধাৰণৰ জীৱন যি ধৰণে দুৰ্বিসহ কৰি তুলিছে। এতিয়া ৰাইজৰ বুজিবলৈ বাকী নাই যে ঝুমলাবাজত পাকৈত বিজেপি দলৰ অসমক শ্ৰেষ্ঠ ৰাজ্য কৰাৰ ঘোষণাও যে এক ঝুমলাৰ বাহিৰে একো নহয়। ৰাইজক সপোন দেখুৱাই বুৰ্বক বনোৱাৰ এক হিটলাৰী কৌশল। অসম ভাৰতৰ পাঁচখন সৰ্বশ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন হোৱা দূৰৰ কথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ শাসনকালত অসমৰ অৰ্থনীতি আৰু সামগ্ৰিক বিকাশ বিধ্বস্ত কৰিছে। অসম কেনেকৈ ভাৰতৰ ভিতৰত এখন অতি পিছপৰা ৰাজ্যত পৰিণত হৈছে হৈছে। অসমৰ অৰ্থনাতিক অৱস্থাৰ তথ্য দাঙি ধৰি দেশৰ ভিতৰত অসম জনমূৰি আয় নিম্ন বুলি উল্লেখ কৰি বৰাই কয় যে এখন ৰাজ্য বিকশিত ৰাজ্য হবলৈ হলে প্ৰথম মাপকাঠি হৈছে জনমূৰি আয় আৰু জনসাধাৰণৰ ক্ৰয় ক্ষমতা। ৰিজাৰ্ভ বেংকৰ শেহতীয়া চাৰ্ভেৰ তথ্য অনুযায়ী ২০২৩ -২০২৪ বিত্তীয় বৰ্ষত ভাৰতৰ বিভিন্ন ৰাজ্যৰ তুলনাত অসমৰ জনমূৰি আয় সৰ্ব নিম্ন। ভাৰতৰ ৩৩ খন ৰাজ্যত ভিতৰত জনমূৰি আয়ত অসমৰ স্থান ৩০ নম্বৰত। আনকি মুখ্যমন্ত্ৰী নেডাৰ চেয়াৰমেন বুলি জাহিৰ কৰা আমাৰ চুবুৰীয়া ৰাজ্য মেঘালয়, চিকিমৰ জনমূৰি আয়তকৈ অসমৰ জনমূৰি আয় কম। বিজেপিৰ ৯ বছৰীয়া শাসন কালত প্ৰতি বছৰে অসমৰ জনমূৰি আয় ক্ৰমাগত ভাৱে কমি আহিছে। জনমূৰি আয় কমিলে মানুহৰ ক্ৰয় ক্ষমতাও কমি যায়। ইয়াৰ ফলত দৰিদ্ৰতা বৃদ্ধি পায় আৰু বিকাশ হ্ৰাস পায়। এনে পঁয়া লগা অৱস্থাৰে হিমন্ত বিশ্ব শৰ্মাই অসমক এনেকৈ সৰ্বশ্ৰেষ্ঠ ৰাজ্য কৰিব বুলি প্ৰশ্ন কৰে? আন এক তথ্য দাঙি ধৰি বৰাই কয় যে নৱজাত শিশু আৰু প্ৰসূতি মহিলাৰ মৃত্যুৰ হাৰ অসমত সৰ্বাধিক। হ আৰু ভাৰত স্বাস্থ্য পৰিয়াল কল্যাণ বিভাগৰ শেহতীয়া তথ্য অনুযায়ী অসমত নৱজাত শিশুৰ মৃত্যুৰ হাৰ প্ৰতি এহেজাৰৰ ভিতৰত ৩৬ আৰু সৰ্বভাৰতীয় পৰ্য্যায়ত এই হাৰ ৩০। ঠিক একেদৰে প্ৰসূতি মহিলাৰ মৃত্যুৰ হাৰ অসমত প্ৰতি এক লাখ প্ৰসূতি মহিলাৰ ভিতৰত ১৯৫। যিটো দেশৰ ভিতৰত সৰ্বাধিক। এই দুই তথ্যই অসমৰ স্বাস্থ্য বিভাগ আৰু চিকিৎসা সেৱাৰ ফোঁপোলা স্বৰূপ উদঙাইছে। ইউএনডিপিৰ শেহতীয়া সমীক্ষাৰ প্ৰসংগ উল্লেখ কৰি মানৱ সম্পদ উন্নয়ন সূচাংকত অসম সৰ্ব নিম্ন বুলি কয় বৰাই। তেওঁ কয় যে অনুযায়ী মানৱ সম্পদ সূচাংকত ভাৰতৰ ৩৩ খন ৰাজ্যৰ ভিতৰত অসমৰ স্থান ৩১ নম্বৰত। অসমতকৈ পিছত সৃষ্টি হোৱা, দুৰ্গম যাতায়ত এলেকাৰে ভৰা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত কৈ অসমৰ মানৱ সম্পদ উন্নয়নৰ সূচাংকক নিম্ন কৰি মুখ্যমন্ত্ৰীয়ে অসমক বিধ্বস্ত অৱস্থালৈ নি কি যাদুৰে শ্ৰেষ্ঠ ৰাজ্য বনাব ৰাইজক জনাব লাগে।'বেটি বচাও, বেটি পঢ়াও' শ্লগান দিয়া বিজেপিৰ আমোলত মহিলাৰ বিৰুদ্ধে অপৰাধত অসম শীৰ্ষত। আদ বয়সত স্কুল এৰা পৰিসংখ্যা ভাৰতৰ ভিতৰত অসমত সৰ্বাধিক। অসমৰ ভয়াবহ নিবনুৱা সমস্যাৰ তথা দাঙি ধৰি ৰিপুণ বৰাই কয় যে ২০১৬ চনত বিজেপি চৰকাৰে কাৰ্য্যভাৰ লোৱাৰ সময়ত অসমত পঞ্জীভূক্ত নিবনুৱাৰ সংখ্যা আছিল ২৩ লাখ। ২০২৩-২৪ চনত অসমৰ পঞ্জীভুক্ত নিবনুৱা সংখ্যা হল ৩২ লাখ। বছৰত এক লাখকৈ পাঁচ বছৰত পাঁচ লাখ নিবনুৱা যুৱক-যুৱতীক কৰ্ম সংস্থাপন দিয়া হ'ব বুলি অসমৰ যুৱ প্ৰজন্মক প্ৰতাৰণা কৰি এতিয়া ৯ লাখ নিবনুৱাৰ সংখ্যা আৰু বাঢ়িল। এনে বৃহৎ সংখ্যক নিবনুৱা সৃষ্টি কৰি হিমন্ত বিশ্ব শৰ্মাই কেনেকৈ অসমক ভাৰতৰ পাঁচখন সৰ্বশ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন শ্ৰেষ্ঠ ৰাজ্য কৰিব? অসমৰ প্ৰতি কেন্দ্ৰৰ বিজেপি চৰকাৰে মাহী আইৰ দৃষ্টি দি আহিছে বুলি কৈ প্ৰাক্তন সাংসদগৰাকীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰৰ পৰা অসমে বিভিন্ন বিভাগৰ উন্নয়ন মূলক কাম-কাজৰ বাবে নীতি গতভাৱে প্ৰাপ্য পুঁজিসমূহ কৰ্তন কৰা আৰু নিয়মিত ভাৱে মুকলি কৰি নিদিয়াৰ ফলত অসমৰ উন্নয়ন সাংঘাটিক ভাৱে বাধাগ্ৰস্ত হৈছে। জিএছটিৰ অংশ হিচাবে অসমে কেন্দ্ৰীয় চৰকাৰৰ পৰা এতিয়াও পাবলৈ বাকী আছে ৮৫ হাজাৰ কোটি টকা। বানপানীৰ ক্ষয় ক্ষতিৰ মেৰামতিৰ শিতানত পাবলৈ বাকী আছে প্ৰায় ২৭০০ কোটি টকা। হিমন্ত বিশ্ব শৰ্মাই চাৰিওফালৰ পৰা অসমৰ অৰ্থনীতি, বিকাশ বিধ্বস্ত কৰি ৰাজ্যখনক ধৰুৱা আৰু দেউলীয়া ৰাজ্যত পৰিণত কৰিছে। এনে প্ৰেক্ষাপটত হিমন্ত বিশ্ব শৰ্মাই কি কৌশলৰে এই এটা বছৰৰ ভিতৰত অসমক ভাৰতৰ পাঁচখন সৰ্বশ্ৰেষ্ঠ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিব। তাৰ স্থিতি স্পষ্ট কৰাৰ দাবী জনাইছে ৰিপুণ বৰাই। অন্যথাই যোৱা ৯ টা বছৰত অসমৰ মানুহক এনেদৰে প্ৰতাৰণা কৰাৰ বাবে ৰাজহুৱা কৈ ক্ষমা খোজাৰো দাবী তোলে কংগ্ৰেছ নেতাগৰাকীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সৰুসজাইত শিৱৰাজ

কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ উপস্থিতিত বিশেষ কাৰ্যসূচী চৌহানে ৬৫০ কোটি টকা ব্যয়ৰ ৫০ হাজাৰ হিতাধিকাৰীৰ আনুষ্ঠানিক গৃহ প্ৰৱেশৰ শুভাৰম্ভ কৰে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ৫০ হাজাৰ হিতাধিকাৰী গৃহ নিৰ্মাণ কৰিছে। চলিত বিত্তীয় বৰ্ষত কেন্দ্ৰই ৩ লাখতকৈও অধিক অতিৰিক্ত ঘৰ অনুমোদিত কৰাৰ লগতে এপ্ৰিল মাহত সমান সংখ্যা অনুমোদিত হ'ব বুলি আশা কৰা হৈছে। মোদী ৩.০ আৰম্ভ হোৱাৰ পৰা আমি অসমৰ যোগ্য পৰিয়ালসমূহক ১,৫৯,০০০ ঘৰ আৱণ্টন দিছো। তথ্য অনুসৰি প্ৰায় ৭ লাখ ঘৰ নিৰ্মাণ কৰিবলৈ বাকী আছে। ইয়াৰ সমাধানৰ বাবে ইতিমধ্যে এই বছৰ ৩.৮ লাখতকৈও অধিক ঘৰ মঞ্জুৰ কৰিছো। আগন্তুক বিত্তীয় বৰ্ষৰ আৰম্ভণিতে আৰু ৩.৮ লাখ ঘৰ অনুমোদন কৰাৰ পৰিকল্পনা কৰিছো বুলিও কয় চৌহানে। তেওঁ লগতে কয় যে ৯০ শতাংশ পুঁজি কেন্দ্ৰই আৰু বাকী ১০ শতাংশই ৰাজ্যই প্ৰদান কৰিব। দুচকীয়া বাহন থকা লোক আৰু ১.৫ একৰ মাটি থকা কৃষক আৰু ৫ একৰ ভূমি থকা লোক সকলে ঘৰ পাব। একেটা অনুষ্ঠানতে ৫০ কোটি টকা ব্যয়েৰে কৃষি বিভাগৰ যন্ত্ৰপাতি বিতৰণ কৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। লগতে এটি ব্ৰেৰ হাউছ, মাৰ্কেট য়াৰ্ড, ২০ লাখপতি বাইদেউকো আৰ্থিক সকাহ প্ৰদান কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, কৃষি মন্ত্ৰী অতুল বৰা, মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, সাংসদ বিজুলী কলিতা উপস্থিত থাকে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৬৫০ কোটি টকা ব্যয়ৰ ৫০ হাজাৰ হিতাধিকাৰীৰ আনুষ্ঠানিক গৃহ প্ৰৱেশ কাৰ্যসূচীত অংশ লোৱাৰ সৌভাগ্য লাভ কৰিছিলো বুলি কয়। মুখ্যমন্ত্ৰীয়ে কয় যে নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত উত্তৰ-পূৰ্বাঞ্চলৰ আন আন ৰাজ্যসমূহৰ লগতে আমাৰ ৰাজ্যখনৰ জনসাধাৰণেও অভূতপূৰ্ব উন্নয়নৰ সাক্ষী হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সকলোৰে বাবে গৃহ নিৰ্মাণৰ দৃষ্টিভংগীক ৰূপায়ণৰ দিশত আগুৱাইছে। এতিয়ালৈকে আমি অসমত ২০ লাখতকৈও অধিক ঘৰ বিতৰণ কৰিছো। অধিক ঘৰ দিবলৈ প্ৰয়াস অব্যাহত আছে। লগতে মুখ্যমন্ত্ৰীয়ে কয় যে কৃষি বিভাগৰ ৫০ কোটিৰো অধিক ব্যয়সাপেক্ষ কৃষি যন্ত্ৰপাতি বিতৰণ, এটি ব্ৰেৰ হাউছ আৰু মাৰ্কেট য়াৰ্ড ৰাইজলৈ উছৰ্গা কৰা হয়। গ্ৰামীণ অৰ্থনীতিক শক্তিশালী কৰি স্বাৱলম্বিতাৰ নতুন নিদৰ্শন দাঙি ধৰা ২০ মহালাখপতি বাইদেউক সম্বৰ্ধনা জনাও।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পুনৰ গুৱাহাটীত যুৱতী মৃত্যুৰ ঘটনা

আজি গুৱাহাটী মহানগৰীৰ তৰুণ নগৰত এগৰাকী যুৱতীৰ মৃতদেহ ৰহস্যজনক অৱস্থাত উদ্ধাৰ হৈছে। যুৱতীগৰাকীক প্ৰতীক্ষা শৰ্মা বুলি চিনাক্ত কৰা হৈছে। খবৰ পোৱা মাত্ৰকে আৰক্ষী উপস্থিত হৈ যুৱতীগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে। গীতানগৰ আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, মহানগৰীৰ তৰুণ নগৰৰ বেলা পথৰ এটা পৰিয়ালত ঘৰ ভাড়া কৰি আছিল প্ৰতীক্ষা শৰ্মা। তিনিচুকীয়াত ঘৰ প্ৰতীক্ষাই ডালমিয়া গ্ৰুপত কাম কৰি আছিল। আজি পুৱাৰে পৰা কোঠাৰ পৰা ওলাই নহাত ঘৰৰ মালিক অন্য আৱাসীৰ সন্দেহ ওপজে। পিছত চিপ লৈ থকা অৱস্থাত ভাড়াঘৰত প্ৰতীক্ষাৰ মৃতদেহ উদ্ধাৰ হয়। একাংশ লোকে যুৱতীগৰাকীক আত্মহত্যা কৰাৰ সন্দেহ কৰা হৈছে। আন একাংশই অন্য কিবা ঘটনা হ'ব পাৰে বুলিও সন্দেহ কৰিছে। আৰক্ষীৰ উচিত তদন্তহে সকলো ওলাই পৰিব। তিনিচুকীয়া যুৱতীগৰাকীক মৃতদেহ ভাড়াঘৰত উদ্ধাৰৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। এয়া হত্যাকাণ্ড নে আত্মহত্যা কাণ্ড তাক লৈ ৰহস্যৰ সৃষ্টি হৈছে। ২০২৪ বৰ্ষৰ শেষৰ মাহ ডিচেম্বৰ মাহত গুৱাহাটীত কেইবাটাও নাৰীজনিত অপৰাধ সংঘটিত হৈছে। গুৱাহাটীৰ নাহৰণি পথত মৌচুমী গগৈক হত্যা কৰা হৈছিল। তাৰ পিছতে মহানগৰীৰ গাড়ীগাঁৱত বৰলুইতৰ ঘাটত উদ্ধাৰ হৈছিল ১৩ বছৰীয়া ছাত্ৰী জুহি দাস আৰু স্কুলভান চালক হীৰকজ্যোতি দাসৰ মৃতদেহ। ইংৰাজী নৱবৰ্ষৰ পহিলা দিনটোত গুৱাহাটীত মহানগৰীৰ ৰাজগড়ত পায়েল শইকীয়াৰ মৃতদেহ উদ্ধাৰ হৈছিল। এতিয়া ৰাজধানী গুৱাহাটীত প্ৰায়ে এনে ঘটনা সংঘটিত হৈ আহিছে।

# বনভোজকাৰী দলক আক্ৰমণ সুৰামত্ত যুৱকৰ দলৰ

**ই-সংবাদ, শিৱসাগৰ, ৯ জানুৱাৰীঃ** শিৱসাগৰত আজি বিয়লি এক ভয়ংকৰ কাণ্ড কৰে এদল সুৰাসক্ত যুৱকৰ দলে। বনভোজৰ পৰা উভটি অহা এটা পৰিয়ালক ৰাজপথত আক্ৰমণ কৰে সন্দেহজনক এদল যুৱকে। চৌলাৰ ফাইনেন্স নামৰ বিত্তীয় প্ৰতিস্থানটোৰ কৰ্মচাৰীয়ে আক্ৰমণ কৰাৰ অভিযোগ ভুক্তভোগী বনভোজকাৰী দলটোৰ। বলিউদৰ কায়দাৰে সুৰাপায়ী দলটোৱে পৰিয়ালটোৰ ওপৰত আক্ৰমণ কৰাৰ অভিযোগ তুলিছে শৰাগুৰি চাপৰিৰ পৰা বনভোজ খাই উভতি অহা এটা পৰিয়ালে। পুৰুষ-মহিলা, শিশুসহিতে এখন এল্ট' গাড়ীৰে আহি থকাৰ সময়তে বলীয়াঘাট অঞ্চলত এএছ ০৪ এজি ৫৮৮৮ নম্বৰৰ গ্ৰেণ্ড ভিটাৰা গাড়ীত উঠি অহা দলটোৱে আক্ৰমণ চলাই বুলি অভিযোগ তুলিছে। আক্ৰমণত আহত হয় নাজিৰা মেজেঙ্গা কেতেকীবাৰীৰ নিবাসী বছিৰ আলি আৰু তেওঁৰ পত্নী আলিমা বেগম। আক্ৰমণকাৰীয়ে ৰাজপথৰ পৰাই দুৰ্ভগীয়া পৰিয়ালটো উঠি অহা এল্ট' গাড়ীখনৰ বেটাৰীৰ লগতে আহত বছিৰ আলিৰ সোণৰ চেইন চিঙি লৈ যোৱাৰো অভিযোগ দিছে। ইয়াৰ পিছতে আহত বছিৰ আলি আৰু আলিমা বেগমক চিকিৎসাৰ বাবে শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ লৈ যোৱা হয়। আহত মহিলাগৰাকীৰ গোপন অংগত উদণ্ড যুৱকৰ দলটোৱে প্ৰহাৰ কৰাৰো অভিযোগ উত্থাপিত হৈছে। ঘটনাৰ সন্দৰ্ভত বিতোপন নামৰ এজন যুৱকক চিনাক্ত কৰাৰ লগতে সদৰ থানাত এজাহাৰ দাখিল কৰিছে ভুক্তভোগী পৰিয়ালটোৱে।

# মৰাণৰ লোকনিৰ্মাণ বিভাগৰ পৰিদৰ্শন ভৱনত বাণিজ্য মেলা

**ই-সংবাদ, ডিব্ৰুগড়, ৯ জানুৱাৰীঃ** উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বড়াৰ সৌজন্যত আৰু অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম লিমিটেডৰ উদ্যোগত তথা ডিব্ৰুগড় জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সহযোগত ডিব্ৰুগড়  মৰাণৰ লোকনিৰ্মাণ বিভাগৰ পৰিদৰ্শন ভৱনত আজিৰে পৰা পাঁচ দিনীয়াকৈ অনুষ্ঠিত হৈছে  "বানিজ্য মেলা"। উক্ত বাণিজ্য মেলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম চৰকাৰৰ পৰিবহণ, সমবায়, পাহাৰীয়া অঞ্চল আৰু খিলঞ্জীয়া, জনজাতি উন্নয়ন বিভাগৰ মন্ত্ৰী যোগেন মহন। এই বাণিজ্য মেলাত প্ৰদৰ্শনী আৰু বিক্ৰীৰ লগতে স্থানীয় যুৱক-যুৱতী সকলৰ বাবে বিভিন্ন প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। এই বাণিজ্য মেলাৰ জৰিয়তে বিভিন্ন উদ্যোগৰ দ্বাৰা উৎপাদিত সামগ্ৰী সমূহৰ প্ৰসাৰ আৰু বিক্ৰীৰো ব্যৱস্থা কৰা হৈছে। ডিব্ৰুগড় মৰাণৰ লোকনিৰ্মাণ বিভাগৰ পৰিদৰ্শন ভৱনত আয়োজিত বাণিজ্য মেলাত মুঠ ৬০ জন স্থানীয় আৰু চুবুৰীয়া জিলাৰ উদ্যোগীয়ে বিনামূলীয়াকৈ অংশ গ্ৰহণ কৰিবলৈ সুযোগ পাইছে। তাৰোপৰি ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা (ড্ৰাই ফ্ৰুটচ) ৰ উদ্যোগৰ লগত জড়িত উদ্যোগী প্ৰতিষ্ঠানেও অংশগ্ৰহণ কৰিছে। এই বাণিজ্য মেলাত স্থানীয় যুৱক যুৱতী সকলৰ ব্যৱসায়িক দিশৰ জ্ঞান বৃদ্ধিৰ বাবে মীন পালন, পশু পালন, কাঠফুলাৰ খেতি, মৌপালন আৰু ৰেচম বিভাগৰ ওপৰত বিভাগৰ দক্ষ আৰু সমল ব্যক্তি সকলৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰা হব। এই বাণিজ্য মেলাখনৰ জৰিয়তে স্থানীয় উদ্যোগীসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰী সমূহ বিক্ৰীৰ বাবে এখন উন্নত মানৰ বজাৰ লাভ কৰিব বুলি আশা কৰা হৈছে।

# বিটিচি পৰিষদীয় নিৰ্বাচনৰ ৪০খন আসনতে প্ৰতিদ্বন্দ্বিতা কৰিব কংগ্ৰেছেঃ সাথে

**ই-সংবাদ, কোকৰাঝাৰ, ৯ জানুৱাৰীঃ** বিটিচি নিৰ্বাচনৰ দিন তাৰিখ ঘোষণা কৰা হোৱা নাই যদিও নিৰ্বাচনী তৎপৰতা আৰম্ভ কৰিছে কংগ্ৰেছ দলে। বিটিচিৰ ৪০ খন আসনতে প্ৰাৰ্থী থিয় কৰোৱাৰ পৰিকল্পনাৰে এতিয়াৰে পৰা ভিচিডিচি পৰ্যায়ৰ পৰাই কাম আৰম্ভ কৰিছে কংগ্ৰেছ দলে। সৰ্বভাৰতীয় কংগ্ৰেছ দলৰ সাধাৰণ সম্পাদক পৃথ্বীৰাজ সাথে কোকৰাঝাৰত বাহৰ পাতি অহা বিটিচি নিৰ্বাচনত কংগ্ৰেছ দলে পৰিষদৰ ৪০ খন আসনতে প্ৰতিদ্বন্দিতা কৰিব বুলি ঘোষণা কৰিছে। আজি কোকৰাঝাৰ কংগ্ৰেছৰ জিলা সমিতিৰ কাৰ্যালয় ৰনেন্দ্ৰ ভৱনত আয়োজিত হোৱা এক সংবাদমেলত সৰ্বভাৰতীয় কংগ্ৰেছ দলৰ সাধাৰণ সম্পাদক পৃথ্বীৰাজ সাথে আগন্তুক বিটিচি পৰিষদৰ নিৰ্বাচনৰ ৪০ খন আসনতে প্ৰতিদ্বন্দিতা কৰিবলৈ কংগ্ৰেছ দল সাজু হোৱা বুলি উল্লেখ কৰে। এই সন্দৰ্ভত বিটিচিৰ ভিচিডিচিৰ অধ্যক্ষ, মণ্ডল কমিটিৰ লগত আলোচনা কৰাৰ উদ্দেশ্যে কোকৰাঝাৰত উপস্থিত হোৱা বুলি মন্তব্য কৰে। কোকৰাঝাৰ জিলাত থকা ১২ খন পৰিষদীয় আসনৰ বিষয়ত আলোচনা -পৰ্যালোচনা হোৱা বুলি উল্লেখ কৰি কাইলৈ দৰং, ওদালগুৰি, তামুলপুৰ ভ্ৰমণ কৰি দলীয় সভাত অংশগ্ৰহণ কৰিব বুলি সদৰি কৰিছে পৃথ্বীৰাজ সাথেই। বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে বিটিচিত উন্নয়নৰ বাবে কোনো ধৰণৰ পুঁজি আৱন্টন নিদিয়াৰ অভিযোগ তুলি কংগ্ৰেছ নেতাগৰাকীয়ে কয় যে কেন্দ্ৰত কংগ্ৰেছ দলৰ শাসনৰ কালছোৱাই আছিল বিটিচিৰ বাবে সোণালী সময়। উক্ত সময়ছোৱাতে বিটিচি পৰিষদীয় এলেকাত তীব্ৰগতিত উন্নয়ন হৈছিল। উক্ত সময়ছোৱাত হাগ্ৰামা মহিলাৰীৰ বিপিএফৰ সতে মিত্ৰতা থকাৰ সুবাদতে দিল্লীয়ে বিটিচিলৈ এহেজাৰ কোটি টকা উন্নয়নৰ বাবে প্ৰদান কৰিছিল। সেই সোণালী সময়ছোৱাতে বিটিচিত ইঞ্জিনিয়াৰিং কলেজ, বড়োলেণ্ড বিশ্ববিদ্যালয়, কেন্দ্ৰীয় কাৰিকৰী প্ৰতিষ্ঠানকে ধৰি ডাঙৰ ডাঙৰ প্ৰতিষ্ঠান নিৰ্মান হৈছিল আৰু সৰ্বদিশত উন্নয়ন হৈছিল। কিন্তু বৰ্তমান শাসকীয় দলৰ শাসন কাৰ্যক লৈ ৰাইজ হতাশাত ভুগি আছে বুলি উল্লেখ কৰি সৰ্বভাৰতীয় কংগ্ৰেছ দলৰ সাধাৰণ সম্পাদক পৃথ্বীৰাজ সাথে কয় যে ৰাইজে এতিয়া পুণৰাই কংগ্ৰেছ দলক বিচাৰিছে। বৰ্তমান গুৱাহাটীৰ পৰাহে বিটিচিত শাসন চলে বুলি কটাক্ষ কৰি পৃথ্বীৰাজ সাথেই কয় যে কাৰ্বি আংলঙত জনজাতি লোকৰ ৬০ হেজাৰ বিঘা ভূমি হস্তক্ষেপ কৰি যেনেদৰে আদানীৰ চিমেণ্ট কোম্পানীক হস্তান্তৰ কৰা হৈছে, ঠিক তেনেদৰে বিটিচিতো একেই কাম হ'ব পাৰে বুলি সন্দেহ ব্যক্ত কৰিছে পৃথ্বীৰাজ সাথেই। সৰ্বাংগীন উন্নয়নৰ বাবে সকলো ৰাইজে এতিয়া কংগ্ৰেছকে বিচাৰিছে বুলি মন্তব্য কৰি সাথেই আগন্তুক বিটিচি নিৰ্বাচনত ৪০ খন আসনতে কংগ্ৰেছে নিজাববীয়াকৈ প্ৰাৰ্থী প্ৰক্ষেপ কৰিব বুলি কয়।

# যোৰহাটত চুতীয়া জাতি যুৱ সন্মিলনৰ দ্বিতীয় দিনাও অনশন অব্যাহত, অৱশ কেবাগৰাকী অনশনকাৰী

**ই-সংবাদ, যোৰহাটঃ** জনজাতিকৰণ, স্বায়ত্বশাসন, আসন সংৰক্ষণ প্ৰমুখ্যে বহু কেইটা দাবীৰে কালিৰে পৰা যোৰহাটত আমৰণ অনশন কাৰ্যসূচী ৰূপায়ন কৰিছে চুতীয়া জাতি যুৱ সন্মিলন, অসমে। অসমৰ অন্যতম খিলঞ্জীয়া থলগিৰী ভূমিপুত্ৰ চুতীয়াসকলৰ জাতীয় সংগঠন চুতীয়া জাতি যুৱ সন্মিলন, অসমৰ অনশনে দুটা দিন অতিক্ৰম কৰিলে। ভোক-পিয়াহত অৱশ হৈ আয়ুক্ত কাৰ্যালয়ৰ সমুখৰ প্ৰতিবাদস্থলীত ইতিমধ্যেই বহু কেইগৰাকী অনশনকাৰী ঢলি পৰিছে। কিন্তু জিলা প্ৰশাসনৰ যেন কোনো ভ্ৰুক্ষেপ নাই প্ৰতিবাদীসকলৰ প্ৰতি। আমৰণ-অনশন কৰি থকা সংগঠনটোৰ সদস্যসকলৰ ওচৰলৈ আহিবলৈ যেন সময়ৰ অভাৱ যোৰহাট জিলা প্ৰশাসনৰ। জিলা প্ৰশাসন তথা জনপ্ৰতিনিধিৰ অমনোযোগিতাই ক্ষোভিত কৰি তুলিছে অনশনকাৰীসকলক। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ যুটীয়া সম্পাদক মৃদুপৱন শইকীয়াই কয়, জিলা প্ৰশাসনৰ মুৰব্বীগৰাকীৰ পদুলিত আমি অনশন কৰিছো, কিন্তু আমাৰ প্ৰতিবাদক লৈ জিলা প্ৰশাসনৰ কোনো ভ্ৰুক্ষেপ নাই। চৰকাৰে যিদৰে আমাক উপলুঙা কৰিছে, একেদৰেই জিলা আয়ুক্তগৰাকীয়েও আমাক উপলুঙা কৰিছে। আমি কি বিচাৰি ইয়াত প্ৰতিবাদ সাব্যস্ত কৰিছো তাক ভাবি চাবলৈ তেওঁলোকৰ সময় নাই। দুই-এদিনতে ভোগৰ উৎসৱ ভোগালী বিহু সমাগত। তেওঁলোকে হয়তো ভাবিছে ইহঁতে আন্দোলন কৰে কৰি থাকক, আমি ভোগৰ উৎসৱ পালন কৰো। অনশনৰ ২৭ ঘন্টা অতিক্ৰম কৰাৰ পাছত আমাৰ বহু কেইগৰাকী সতীৰ্থ অৱশ হৈ পৰিছে, ইয়াক লৈ চৰকাৰ অথবা প্ৰশাসনৰ যি ভূমিকা হ'ব লাগিছিল সেয়া অত্যন্ত পুতৌজনক। আমি বাৰম্বাৰ ফোন কৰি প্ৰশাসনক জনাব লগা হৈছে আমাৰ সতীৰ্থ অসুস্থ হোৱাৰ কথা। এনেদৰে ক্ষোভ উজাৰিলে যুটীয়া সম্পাদকজনে। আন এগৰাকী আন্দোলনকাৰীয়ে কয়, আমি নিৰ্বাচনত কাৰোবাক জিকাব নোৱাৰিব পাৰো, কিন্তু হৰুৱাব নিশ্চয় পাৰিম। অসমত এনে বহু সমষ্টি আছে, য'ত চুতীয়া জনগোষ্ঠীৰ লোকসকলে নিৰ্ণায়ক ভূমিকা পালন কৰে। যদি দাবী মানি লোৱা নহয় তেন্তে কংগ্ৰেছৰ দশাই হ'ব বিজেপিৰ। তেওঁ কয়, সৰ্বকালৰ মিথ্যাচাৰী প্ৰধানমন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোদীয়ে যদি নিজকে প্ৰতিষ্ঠা কৰি যাব নোখোজে তেন্তে প্ৰধানমন্ত্ৰীয়ে মুখ্যমন্ত্ৰীক চুতীয়া জাতিৰ দাবী কাৰ্যকৰী কৰিবলৈ সৈমান কৰাওক। জনজাতিকৰণ চুতীয়া জনগোষ্ঠীৰ জন্মস্বত্ব অধিকাৰ বুলিও সংগঠনটোৰ নেতৃবৃন্দই কয়।

# উদুলি-মুদুলি চৰাইদেউ মৈদাম ক্ষেত্ৰ, বিশ্ব ঐতিহ্য ক্ষেত্ৰত তিনিদিনীয়াকৈ আৰম্ভ চৰাইদেউ মহোৎসৱ

**ই-সংবাদ, মথুৰাপুৰ, ৯ জানুৱাৰীঃ** আজিৰ পৰা বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউত তিনিদিনীয়াকৈ আৰম্ভ হৈছে চৰাইদেউ মহোৎসৱ। বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদামক্ষেত্ৰত পুৱা মাঙ্গলিক কাৰ্য্যসূচীৰে শুভাৰম্ভ কৰা মহোৎসৱৰ চৰাইদেউ জিলাৰ জিলা আয়ুক্ত ডাঃ নেহা যাদৱে মহোৎসৱৰ মুখ্য তোৰণ উন্মোচন কৰে। ইয়াৰ পাছতে উদযাপন সমিতিৰ সভাপতি তথা সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে পতাকা উত্তোলন আৰু ডম্বৰু ৰাজকোঁৱৰ, ৰোহিনী মোহনে স্মৃতি তৰ্পণ আৰু স্বৰ্গদেউসকললৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। ইয়াৰ পিচতেই ধৰ্মীয় পৰম্পৰাগত নীতিৰে টাই ম'লুঙ সকলৰ দ্বাৰা বান-ফি সম্পন্ন হোৱাৰ পাছত গ্ৰন্থ-বস্ত্ৰ আৰু কৃষি মেলা উদ্বোধন কৰে টাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ুৰ বৰগোহাঁইয়ে আৰু জনগোষ্ঠীয় পৰম্পৰাগত-খাদ্য মেলা উদ্বোধন কৰে মন্ত্ৰী যোগেন মহনে। পুনৰ বিশ্বৰ বুকুত জিলিকি উঠিছে বিশ্ব ঐতিহ্য ক্ষেত্ৰ ঐতিহাসিক চৰাইদেউ মৈদাম ক্ষেত্ৰ। বিশ্ব সমাদৃত নিউয়ৰ্ক টাইমছত চৰাইদেউ পৰ্যটন সন্দৰ্ভত প্ৰকাশ পাইছে বিৱৰণ। বিশ্বজুৰি চৰাইদেউ সন্দৰ্ভত চৰ্চাক লৈ আশাবাদী হৈ পৰিছে চৰাইদেউবাসী। চৰাইদেউ মৈদামস্থলীৰ সুনাম ইতিমধ্যে বিশ্বৰ বুকুত বিয়পি পৰাত চৰাইদেউৰ সৰ্বত্ৰে এতিয়া বৈছে আনন্দৰ বন্যা। এই মহোৎসৱলৈ ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা মানুহৰ সোঁত বৈছে।

# ডিমাকুছিৰ দৈমু নগৰত আৰম্ভ বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৰেশন

**ডিমাকুছি, ৯ জানুৱাৰীঃ** ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৰ ডিমাকুছিৰ দৈমু নগৰ সমন্বয় ক্ষেত্ৰত এক নান্দনিক পৰিৱেশেৰে বিৰাজমান কৰি তুলিছে। ডিমাকুছিৰ আৰম্ভ হ'ল ৬৪ সংখ্যক বড়ো সাহিত্য সভাৰ কেন্দ্ৰীয় অধিবেশন ৯ জানুৱাৰীৰ পৰা ১২ জানুৱাৰীলৈ চাৰিদিনীয়াকৈ আয়োজন কৰা হৈছে এইবাৰৰ বড়ো সাহিত্য সভাৰ অধিৰেশনৰ। বৃহত্তৰ ডিমাকুছি অঞ্চলৰ সকলো জাতি-জনগোষ্ঠীৰ সহায় সহযোগিতা আৰু প্ৰচেষ্টাত ৬৪ সংখ্যক বড়ো সাহিত্য সভাৰ সকলো কাৰ্যসূচী সফলতাৰ দিশেৰে আগবাঢ়ি আহিছে। তিনিকোটি টকা ব্যয়ৰে অনুষ্ঠিত বড়ো সাহিত্য সভাত প্ৰায় ৫০০ শ বিঘাৰো অধিক খেতি পথাৰক সামৰি লৈ বিগত বহুদিন ধৰি দিনে-নিশাই কাম-কাজ কৰি আহি অৱশেষত সাৰ্থক হোৱা বুলি জানিবলৈ দিয়ে আদৰণি সমিতিৰ মুখ্য আহ্বায়ক জৌশ্ৰাং বড়োৱে। উক্ত অধিৰেশনতে অৰ্ধশতাধিক গ্ৰন্থ উন্মোচন, বিভিন্ন ধৰণৰ প্ৰদৰ্শনী অনুষ্ঠান, মুকলি বজাৰৰ আয়োজন, সাংস্কৃতিক অনুষ্ঠান, বহুকেইখন আগশাৰীৰ প্ৰকাশন তথা গ্ৰন্থ বিপনীৰ দ্বাৰা গ্ৰন্থ মেলাৰ আয়োজন, দুখনকৈ আগশাৰীৰ বড়ো থিয়েটাৰৰ বিনামূলীয়া প্ৰদৰ্শন, সেনাবাহিনীৰ অস্ত্ৰ-শস্ত্ৰ প্ৰদৰ্শন, বড়ো জনগোষ্ঠীৰ চহা জীৱনৰ এখন জীয়া বাস্তৱ ছবি, আকাশী বেলুন উৰোৱা, বিজ্ঞানৰ আৱিস্কাৰৰ সজুলিৰ উপৰিও বড়ো জনগোষ্ঠীৰ অস্থায়ী বাথৌ থানচালি, নৱ দম্পত্তিৰ পৰিয়াল, প্ৰদৰ্শনীত বড়ো জনগোষ্ঠীৰ থলুৱা খাদ্য সম্ভাৰৰ উপৰিও অসমৰ প্ৰতিটো জনগোষ্ঠীৰ থলুৱা খাদ্য সম্ভাৰ আদিৰ আয়োজন কৰিছে, আনহাতে বিভিন্ন স্থানত প্ৰাকৃতিক ছেল্ফি কেন্দ্ৰ অনুষ্ঠিত কৰিছে, বড়ো সাহিত্য সভাত বাণিজ্যমেলা, বিশাল ভোজনালয়, পাঁচখনকৈ বিভিন্ন অনুষ্ঠানৰ মঞ্চ, ইয়াৰোপৰি মূল গেটত কেঁকোৰা ("খেংখ্ৰাই") নামৰ শুভংকৰ সাজি উলিয়াইছে। উল্লেখ্য যে, সাহিত্য সভালৈ আহি যিসকলে অনৈতিক কাৰ্য কৰি ধৰা পৰিব তেওঁলোকক শাস্তিমূলকভাৱে এটি অস্থায়ী বাঁহেৰে কাৰাগাৰ সাজু কৰি ৰাখিছে। উদুলি-মুদুলি পৰিৱেশত "খেংখ্ৰাই" (কেঁকোৰা) মেছকট উন্মোচন কৰে সাহিত্য একাডেমী প্ৰাপক ড° ৰীতা বড়োই। ইয়াৰ পিছতে বড়ো লিটাৰেৰী পাইয়'নাৰ পাৰ্ক উদ্বোধন কৰে সাহিত্য একাডেমী বঁটা প্ৰাপক নবীন মল্ল বড়োৱে। বড়ো সাহিত্য সভাৰ মূল মঞ্চ শ্বহীদ দেবনাথ বসুমতাৰী তোৰণ উন্মোচন কৰে কলাইগাওঁ সমষ্টিৰ বিধায়ক দুৰ্গাদাস বড়োই। ৰাবেশ বড়ো সোঁৱৰণী আলোচনা চক্ৰ ভৱন উদ্বোধন কৰে বড়ো সাহিত্য সভাৰ সম্পাদক কামেশ্বৰ বড়োই। শ্বহীদ দেৱনাথ বসুমতাৰী সোঁৱৰণী মঞ্চ মুকলি কৰে আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি তথা বিটিআৰৰ ই এম দাওবাইছা বড়োৱে। জুৰেল দৈমাৰী অতিথিশালা উদ্বোধন কৰে বিটিচিৰ ই এম নিলোৎ স্বৰ্গিয়াৰীয়ে। বড়ো সাহিত্য সভাৰ অধিৰেশনৰ প্ৰথম দিনটো তথা বৃহস্পতিবাৰে ওদালগুৰি জিলা অধিৰেশনৰ দিনাই বহু কেইটা তোৰণ উন্মোচন কৰাৰ লগতে প্ৰতিনিধি সভা অনুষ্ঠিত হয়। প্ৰতিদিনে হাজাৰ-হাজাৰ লোকক আদৰিবলৈ সম্পূৰ্ণ সাজু হৈ আছে উদ্যোক্তাসকল। সম্প্ৰীতিৰ মিলনভূমিত পৰিণত হ'ব ডিমাকুছিৰ দৈমু নগৰ। আজি অৰ্থাৎ ১০ জানুৱাৰীৰ পৰা ১২ জানুৱাৰীলৈ বিভিন্ন কাৰ্যসূচীৰে চলিব ৬৪ সংখ্যক বড়ো সাহিত্য সভা। সেয়েহে বিটিআৰৰ লগতে ৰাজ্যৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সহায় সহযোগিতা তথা উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে উদযাপন সমিতিয়ে। এনেদৰে এতিয়া অধিৰেশনক লৈ লোকাৰণ্য হৈ পৰিছে ডিমাকুছি।

# দুৰামাৰীৰ ঘটনাস্থলী পৰিদৰ্শন বিধায়ক লৰেন্স ইছলাৰীৰ

**ই-সংবাদ, কোকৰাঝাৰ, ৯ জানুৱাৰীঃ** কোকৰাঝাৰৰ দুৰামাৰীত কালি সংঘটিত হোৱা ভয়াৱহ ঘটনাৰ ২৪ ঘণ্টা উকলি যোৱাৰ পিছতো বৰ্তমানেও জুইকুৰা উমি উমি জ্বলি আছে। উত্তেজিত ৰাইজে কালি দুৰামাৰী অঞ্চলৰ গৰুচোৰৰ ৭টাকৈ বাসগৃহৰ লগতে পশুধনৰ বাবে দমাই থোৱা খেৰৰ দমত জুই লগাই দিয়াৰ পিছত আজিও খেৰৰ দমত উমি উমি জুইকুৰা জ্বলি আছে। চৌদিশে চেপা উত্তেজনা, পুলিচৰ টহলৰ মাজতে আজি কোকৰাঝাৰ বিধানসভা (জনজাতি সংৰক্ষিত) সমষ্টিৰ বিধায়ক লৰেন্স ইছলাৰীয়ে আজি ঘটনাস্থলী পৰিভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লয়। বিধায়ক লৰেন্স ইছলাৰীয়ে ঘটনাটোৰ সঠিক তদন্ত কৰি কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষীৰ প্ৰতি আহ্বান জনাইছে। ইপিনে সংবাদমাধ্যমৰ আগত বিধায়ক লৰেন্স ইছলাৰীয়ে ৰাইজৰ অভিযোগৰ ভিত্তিত কয় যে দুৰামাৰী অঞ্চলৰ দুই এজনৰ বিৰুদ্ধে গৰুচোৰৰ অভিযোগ উত্থাপিত হৈ আহিছিল আৰু কিছুদিন পূৰ্বে বালাজান তিনালী , বৃহত্তৰ চিম্বৰগাওঁ, বিছমুৰী আদি এলেকাৰ পৰা গৰু চুৰি হৈছিল। আৰক্ষীয়ে পূৰ্বতে গৰুচোৰক আটক কৰি জেল হাজোতলৈও প্ৰেৰণ কৰিছিল যদিও মুকলি হৈ আহি পুনৰাই অনৈতিক কামত লিপ্ত হৈছিল। কালি উত্তেজিত ৰাইজে গৰুচোৰৰ বাসগৃহ জ্বলাই দিয়া বুলি সদৰি কৰি সমগ্ৰ ঘটনাটোৰ তদন্ত কৰিবলৈ আৰক্ষীৰ প্ৰতি আহ্বান জনাইছে বিধায়ক লৰেন্স ইছলাৰীয়ে। আনহাতে উক্ত ভয়াৱহ ঘটনাৰ পিছতে আজি এবিএমছু, আমছুৰ প্ৰতিনিধি দল এটাই ঘটনাস্থলী পৰিভ্ৰমন কৰি পৰিস্থিতিৰ বুজ লয় আৰু শান্তি-সম্প্ৰীতি বৰ্তাই ৰখাৰ আহ্বান জনায়। উল্লেখ্য যে কালি উত্তেজিত জনতাই গৰু চোৰৰ অভিযোগত দুৰামাৰী টাবুৰ চৰ গাওঁৰ আমজাদ আলি স্বেখ, ছাহজাহান স্বেখ, মইদুল স্বেখ, ছানোৱাৰ আকন্দ, ছুৰমান আলি স্বেখ, আমিনুৰ আলি আৰু হেকাইপাৰা নয়াপাৰা গাওঁৰ আছাদ আলী আকন্দৰ ঘৰ-দুৱাৰ জ্বলাই দিছিল। ইয়াৰোপৰি আমজাদ আলি শ্বেখৰ ঘৰৰ কাষতে থকা নুৰ্জিমা বিবিৰ ঘৰৰ পৰাও উত্তেজিত ৰাইজে নতুনকৈ বনোৱা আচবাবপত্ৰও বাহিৰ কৰি ভাঙি চুৰমাৰ কৰিছিল উত্তেজিত ৰাইজে। প্ৰকৃততে ভনীয়েকৰ বিয়া উপলক্ষে নুৰ্জিমা বিবিয়ে আচবাবপত্ৰখিনি সাজু কৰিছিল। কিন্তু উত্তেজিত ৰাইজে সেয়া গৰুচোৰ আমজাদ আলি স্বেখৰ বুলি ভাবি বাসগৃহৰ পৰা বাহিৰলৈ ওলাই আনি আচবাবপত্ৰখিনি ভাঙি পেলাইছিল। আনহাতে পুব দুৰামাৰী গাঁৱৰ গাঁওবুঢ়া আসান আলী শ্বেখ, এবিএমছুৰ কোকৰাঝাৰ জিলা সমিতিৰ ছহিদুল ইছলাম, দুৰামাৰী এবিএমছুৰ আঞ্চলিক সভাপতি হুছেইন আলীয়ে কয় যে বিভিন্ন সময়ত গৰুচোৰকেইটাক অনৈতিক কাম-কাজৰ পৰা বিৰত থাকিবলৈ গাঁওবাসীয়ে সঁকিয়নি দিয়াৰ পিছতো অনৈতিক কামকাজ অব্যাহত ৰখাৰ বাবেই কালি ক্ষোভৰ বহি:প্ৰকাশ ঘটি উক্ত ভয়াৱহ কাণ্ড সংঘটিত হয়। অৱশ্যে ৰাইজে সদৰি কৰা মতে কালি গাঁওসভাত তিনিটা ঘৰহে ভাঙি দিয়াৰ সিদ্ধান্ত হৈছিল যদিও উত্তেজিত ৰাইজে ৭ টাকৈ ঘৰ জ্বলাই দিয়ে। গাঁওসভাত মুল গৰু চোৰ আমজাদ আলি স্বেখ, মহিদুল স্বেখ, ছাহজাহান স্বেখৰ হে ঘৰ ভাঙি দিয়াৰ সিদ্ধান্ত লৈছিল যদিও উত্তেজিত ৰাইজে ৭টাকৈ বাসগৃহ জ্বলাই দিয়াৰ লগতে নুৰ্জিমা বিবিৰ ঘৰৰ থকা আচবাবপত্ৰও বিনষ্ট কৰে। একাংশ গঞাই আজি পুনৰাই অভিযোগ কৰা মতে উল্লেখিত গৰুচোৰকেইটাই বিভিন্ন সময়ত গৰু চোৰ কৰি গাওঁ আৰু জনগোষ্ঠীটোৰ বদনাম কৰি আহিছে আৰু যাৰ বাবে বাহিৰত মুখ ওলাব নোৱাৰা পৰিস্থিতিৰ সৃষ্টি কৰিছে। তেওঁলোকক বাধা দিয়াৰ পিছতো কথা নুশুনাত তিনি-চাৰিখন গাঁৱৰ ৰাইজে একত্ৰিত হৈ উমৈহতীয়া সিদ্ধান্তমৰ্মে তেওঁলোকৰ বাসগৃহ জ্বলাই দিয়া বুলি সদৰি কৰিছে গাঁওবুঢ়া আৰু স্থানীয় ৰাইজ আৰু দল-সংগঠনৰ প্ৰতিনিধিয়ে। ইপিনে আৰক্ষীৰ ভূমিকাক লৈ আজিও প্ৰশ্ন উত্থাপন কৰিছে গঞা ৰাইজে। আজি সংবাদমাধ্যমৰ আগত ৰাইজে স্পষ্টভাৱে কয় যে গৰুচোৰ সন্দৰ্ভত আৰক্ষীক কেবাবাৰ অভিযোগ দিয়া হৈছিল যদিও আৰক্ষীয়ে মুখেৰে কলেই নহ'ব, প্ৰমাণ দিব লাগিব বুলি মন্তব্য কৰিছিল। তেওঁলোকে নিশা ১-২ বজাত গৰুচোৰৰ পিছে পিছে ঘুৰি প্ৰমাণ গোটাব লাগিব নেকি বুলিও আৰক্ষীৰ প্ৰতি প্ৰশ্ন উত্থাপন কৰিছে। অঞ্চলটোত পৰিস্থিতি বৰ্তমানো উত্তেজনাপূৰ্ণ হৈ আছে।

# বেতবাৰীত কলা সমাৰোহ সম্পন্ন

**ই-সংবাদ, শিৱসাগৰ, ৯ জানুৱাৰীঃ** শিৱসাগৰ বেতবাৰী কোৱামৰা সন্দিকৈ গাৱঁত অৱস্থিত বৰ্ণকুটীৰ আৰ্টিষ্ট ভিলেইজৰ উদ্যোগত যোৱা ১ জানুৱাৰীৰ পৰা ৫ জানুৱাৰীলৈকে অনুষ্ঠিত হয় ২৮ সংখ্যক কলা সমাৰোহ। ১ জানুৱাৰীৰ পুৱা প্ৰাক্তন শিক্ষক জোনাৰাম গগৈয়ে পতাকা উত্তোলন কৰাৰ পিছতে শিৱসাগৰ ছোৱালী কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ হেমন্ত কুমাৰ ফুকনে মূল কাৰ্যসূচী উদ্বোধন কৰে। মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট শিল্পী মুকেশ বিজল। দ্বিতীয় দিনা সাংবাদিক সকলৰ সৈতে মত বিনিময় অনুষ্ঠানত বৰ্ণকুটীৰ সচিব, তথা মূল উদ্যোগক্তা, বিশিষ্ট চিত্ৰ ভাস্কৰ্য শিল্পী সুজিত বৰুৱাৰ লগতে উপস্থিত থাকে জ্যেষ্ঠ সাংবাদিক ভৈৰৱ মুণ্ডা, জয়জ্যোতি গগৈ, প্ৰদীপ গগৈ, ইৰছাদ উল্লাহসহ কেইবাগৰাকী সাংবাদিক। ৪ জানুৱাৰীত অনুষ্ঠিত হয় চিত্ৰ প্ৰদৰ্শনী। ভাস্কৰ্য শিল্পী দুৰ্লভ বৰাই উদ্বোধন কৰা প্ৰদৰ্শনীখনিত ২০ গৰাকীৰো অধিক চিত্ৰ ভাস্কৰ্য শিল্পীৰ সমাবেশ ঘটে। সকলোৱে থলিতে ভিন্ন বিষয়বস্তুৰ চিত্ৰ অংকন কৰি উপস্থিত দৰ্শকসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। অন্যহাতে ৫ জানুৱাৰীত "বৰ্ণকুটীৰ বঁটা -২০২৫" দুগৰাকী শিল্পীক প্ৰদান কৰা হয়। মধ্যপ্ৰদেশৰ বিশিষ্ট শিল্পী মুকেশ বিজল আৰু গুৱাহাটীৰ নুৰুদ্দিন আহমেদক প্ৰদান কৰা হয় এই বঁটা।

# টিহুৰ সন্ধেলিত ভোগালীৰ প্ৰস্তুতি

**ই-সংবাদ, বৰমা, ৯ জানুৱাৰীঃ** ৰাজ্যৰ উজনি কি নামনি সকলোতে এতিয়া ব্যস্ততা ভোগালী বিহুক আদৰিবলৈ। নামনি অসমৰ নলবাৰী জিলাৰ টিহু বিধানসভা সমষ্টিৰ অন্তৰ্গত সন্ধেলি মাক্ৰাপাৰাত ভোগালী বিহুৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। সন্ধেলি মাক্ৰাপাৰা গাঁওখনৰ যুৱকসকলে দিনে ৰাতিয়ে কষ্ট কৰি কেইবাটাও মেজি সজাৰ উপৰি সাজি উলিয়াছে ৰংঘৰৰ আৰ্হিত আন এটা মেজি। ভোগৰ উৎসৱ ভোগালী বিহুটোত গাঁওখনৰ সকলোৱে একেলগে সিদিনাৰ দিনটোত এসাজ লগেভাগে খোৱাৰ নিয়ম পূৰ্বৰে পৰা চলি আহিছে। সমান্তৰালকৈ এইবাৰো ইয়াৰ ব্যতিক্ৰম নহয়। ইপিনে, ভোগালী উৎসৱৰ বাবে গাঁওখনৰ সৰু-ডাঙৰ সকলো ল'ৰা-ছোৱালীক বিহু নাচ নাচি আনন্দত মতলীয়া হোৱা পৰিলক্ষিত হৈছে। তেওঁলোকে কেইবাদিন ধৰি নৃত্যৰ আখৰা চলাইছে বুলি জানিবলৈ দিয়ে। ইপিনে, গাঁওখনৰ মহিলাসকলো বিহুৰ বাবে এতিয়া পিঠা-পনা বনোৱাত ব্যস্ত হৈ পৰিছে। বিহুৰ দিনা সকলো ওলাই আহি এই ৰংঘৰ বাকৰিত বিহু নাচি একেলগ হৈ এসাজ খাব বুলি জনায় গাঁওবাসীয়ে।

## প'ৰ্টেলৰ সাংবাদিক গ্ৰেপ্তাৰ হোৱা ঘটনাত চাঞ্চল্য ধুবুৰীত

# শ্ৰমিকক ধন দাবী কৰি ৰঙাঘৰৰ আলহী হ'ল সাংবাদিক

**ই-সংবাদ, গোলকগঞ্জ, ৯ জানুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত কমলাঝাৰ গাঁৱৰ এজন সাধাৰণ শ্ৰমিকক ধন দাবীৰে ব্লেকমেইলিং কৰি আজি এজন তথাকথিত প'ৰ্টেলৰ সাংবাদিক গ্ৰেপ্তাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ মতে, গাঁওখনৰ এক্ৰামুল হক প্ৰতিদিনৰ দৰেই এক জানুৱাৰীত কৰ্মসূত্ৰে বাসবাৰীলৈ যোৱাৰ সময়ত বাটত সন্দেহজনক অৱস্থাত চাৰিটা গৰু প্ৰত্যক্ষ কৰে। চোৰাং গৰু বুলি ভাবি তেওঁ নিউজ ছেভেন লাইভৰ সাংবাদিক বুলি পৰিচয় দিয়া একে গাঁৱৰে আকবৰ আলীক ফোন যোগে খবৰ দিয়ে। কিছু সময় পিছত আকবৰে আন দুজন সাংবাদিকক লগত লৈ উক্ত স্থানত উপস্থিত হয় যদিও কোনো গৰু বিচাৰি নাপায়। গৰু নোপোৱাৰ বাবে খবৰ দিয়া এক্ৰামুল হককে গৰুৰ চোৰাং বেপাৰী বুলি দোষাৰোপ কৰে। ইয়াৰ পিছতেই আৰম্ভ হয় ধন দাবী ব্লেকমেইলিংৰ। এক্ৰামুল হকৰ পৰা চল্লিশ হাজাৰ টকা দাবী কৰে, অন্যথা আৰক্ষীৰ হতুৱাই গৰুৰ চোৰাং গোচৰত গ্ৰেপ্তাৰ কৰাৰ ভাবুকি দিয়ে। অশিক্ষিত হোজা এক্ৰামুলে দহ হাজাৰ দিবলৈ সৈমান হয় যদিও আকবৰে আঁকোৰগোজ হৈ চল্লিশ হাজাৰ টকাই লাগিব বুলি হকক ফোনযোগে মানসিক অত্যাচাৰ অব্যাহত ৰাখে। ফোনৰ সকলো বাৰ্তালাপ এক্ৰামুলৰ ফোনত ৰেকৰ্ডিং হয়। উপায়ন্তৰ হৈ ছয় জানুৱাৰীত এক্ৰামুলে আকবৰৰ বিৰুদ্ধে গোলকগঞ্জ থানাত এজাহাৰ দিয়ে। গোলকগঞ্জ আৰক্ষীয়ে সকলো তদন্ত কৰি আজি দুপৰীয়া আকবৰক হৰিৰহাট বজাৰৰ পৰা গ্ৰেপ্তাৰ কৰে। ইপিনে, আগমনি-গোলকগঞ্জ প্ৰেছ ক্লাবে উক্ত ঘটনাৰ তদন্ত কৰি ইয়াৰ লগত জড়িত সকলো অপৰাধীক গ্ৰেপ্তাৰৰ দাবী জনায়।




চৰাইদেউ মহোৎসৱক লৈ উদুলি-মুদুলি চৰাইদেউ মৈদাম ক্ষেত্ৰ, ফটোঃ ই-সংবাদ, মথুৰাপুৰ

# বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ উদ্যোগত ডুমডুমাত 'ভোগালীৰ এনিশা'ৰ আয়োজন

**ই-সংবাদ, ডুমডুমা, ৯ জানুৱাৰীঃ** বৃহত্তৰ অসমীয়া যুৱ মঞ্চ, ডুমডুমা আঞ্চলিক সমিতিৰ উদ্যোগত আৰু ডুমডুমাবাসী ৰাইজৰ সহযোগত ১২ আৰু ১৪ জানুৱাৰীত ডুমডুমা শতদল শাখা সাহিত্য সভাৰ ভৱন প্ৰাংগণত " ভোগালীৰ এনিশা " নামেৰে এক অনুষ্ঠানৰ আয়োজন কৰিছে। কাৰ্য্যসূচী অনুসৰি, ১২ জানুৱাৰীৰ পুৱা ১০ বজাত পতাকা উত্তোলন কৰিব উদযাপন সমিতিৰ সভাপতি অৰ্জুন বৰুৱাই। ১০:৩০ বজাত স্মৃতি তৰ্পণ কৰিব বৃহত্তৰ অসমীয়া যুৱ মঞ্চ, তিনিচুকীয়া জিলা সমিতিৰ সভাপতি মানসজ্যোতি বৰুৱাই। সহযোগ কৰিব সমিতিৰ সহঃ সচিব ক্ৰমে - প্ৰাণজিৎ চুতীয়া, যুগল কিশোৰ বৰুৱাই। সন্ধিয়া ৫ বজাত সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰিব ৮২ নং ডুমডুমা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ শ্ৰমিক কল্যাণ, চাহ জনজাতি আৰু আদিবাসী কল্যাণ, গৃহ (কাৰাগাৰ, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা) বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালাই। সহযোগ কৰিব বৃহত্তৰ অসমীয়া যুৱ মঞ্চ, তিনিচুকীয়া জিলাসমিতিৰ সচিব প্ৰধান পৰমানন্দ ফুকনে। ৫:৩০ বজাত মুকলি সভা অনুষ্ঠিত হব। সন্ধিয়া আমন্ত্ৰিত শিল্পীৰ দ্বাৰা বাৰেৰহণীয়া সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠান অনুষ্ঠিত হব। ১৪ জানুৱাৰীৰ পুৱা ৫ বজাত মেজি প্ৰজ্জ্বলন কৰিব ডুমডুমা জ্যেষ্ঠ নাগৰিক সন্থাৰ সাধাৰণ সম্পাদক প্ৰকাশ নাৰায়ণ পাটোৱাৰীয়ে। সহযোগ কৰিব দেবেন ডেকা, কুলধৰ বৰ্মণ আৰু বিকাশ ৰঞ্জন দত্তই। মেজি প্ৰজ্জ্বলনস্থলীত ডুমডুমা নামঘৰৰ নামঘৰীয়াৰ দ্বাৰা নাম প্ৰসংগও অনুষ্ঠিত হব। পুৱা ১০ বজাত পিঠা-পনা প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ পিছতে পুৰুষ-মহিলা, শিশুসকলৰ মাজত প্ৰীতি খেল-ধেমালি অনুষ্ঠিত হব। আবেলি ২:৩০ বজাত বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হব। আয়োজনলৈ সকলোকে উদযাপন সমিতিয়ে আন্তৰিকতাৰে নিমন্ত্ৰণ জনাইছে। যোগাযোগৰ নম্বৰ হৈছে - ৯৭০৭৭৩৯৭৭৬, ৮৮১১৯১৩৮৯৮ আৰু ৮৮৭৬৭৫৩৩৯০।

# বৰপেটাৰোডত নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৮ সংখ্যক জয়ন্তী পালনৰ প্ৰস্তুতি

**ই-সংবাদ, বৰপেটাৰোড, ৯ জানুৱাৰীঃ** দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বৰপেটাৰোডতো নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৮ সংখ্যক জয়ন্তী নেতাজী সুভাষ বসু ভাৱনা মঞ্চ বৰপেটৰোডেৰ উদ্যোগত বৰ্ণাঢ্য কাৰ্যসূচীৰে পালনৰ ব্যপক প্ৰস্তুতি চলোৱা হৈছে। নেতাজীৰ জয়ন্তী পালনৰ উদ্দেশ্যে কিশোৰ দাসক সভাপতি, সুকুমাৰ দেৱনাথক কাৰ্যকৰী সভাপতি, ৰাজকুমাৰ সাহা, মহাদেৱ নাথ, গোপাল চন্দ্ৰ পাল, সুজিত নাথক উপ-সভাপতি, সমীৰ চক্ৰৱৰ্তী আৰু অভিজিৎ সাহাক যুটীয়া সম্পাদক আৰু জিতেন দাস, নিখিল দাস, বিশ্বজিৎ বৰ্মন, শুভব্ৰত সিনহাক সহঃ সম্পাদক হিচাপে লৈ ৪৩ জনীয়া এখনি শক্তিশালী কমিটী গঠন কৰা হয়। ইপিনে, নেতাজী সুভাষ বসুৰ ১২৮ সংখ্যক জন্মোৎসৱ উপলক্ষে কণকণ ল'ৰা-ছোৱালীৰ মাজত চিত্ৰাংকনসহ বিভিন্ন প্ৰতিযোগিতাৰ উপৰি ভাৱনা মঞ্চৰ মহিলা কোষৰ উদ্যোগত উলুধ্বনি, শংখধ্বনি, খাদ্য আৰু আলপনা আদি প্ৰতিযোগিতা অনুষ্ঠিত হৈ আছে। স্থানীয় লক্ষ্মীনাথ বেজবৰুৱা প্ৰেক্ষাগৃহত আয়োজন কৰা হ'ব নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৮ সংখ্যক জয়ন্তীৰ সাংস্কৃতিক কাৰ্যসূচী।




**উমৰাংছুত সংঘটিত ঘটনাক লৈ মহানগৰীত বাওপন্থী সংগঠনৰ প্ৰতিবাদ**

# চেলেংহাটৰ বৈকুণ্ঠ সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত দিহানাম প্ৰতিযোগিতাৰ আয়োজন

**ই-সংবাদ, মৰিয়নি, ৯ জানুৱাৰীঃ** যোৰহাট জিলাৰ চেলেংহাটৰ অন্যতম আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান বৈকুণ্ঠ সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত তথা লুখুৰাখন গাঁওবাসী ৰাইজৰ সহযোগত অহা ২৫ ফ্ৰেব্ৰুৱাৰীত চেলেংহাট লুখুৰাখন গাঁৱৰ শিৱ মন্দিৰৰ প্ৰাংগণত অনুষ্ঠিত হ'ব সদৌ অসম ভিত্তিত মহিলা দিহানাম প্ৰতিযোগিতা। উক্ত প্ৰতিযোগিতাখনত প্ৰথম বিজয়ী দলক পোন্ধৰ হাজাৰ, দ্বিতীয় দলক দহ হাজাৰ আৰু তৃতীয় স্থান প্ৰাপ্ত দলক সাত হাজাৰ কৈ টকা পুৰস্কাৰ হিচাপে প্ৰদান কৰিব বুলি উদযাপন সমিতিৰ বিষয়ববীয়াসকলে জানিবলৈ দিয়ে। প্ৰতিযোগিতা সন্দৰ্ভত সবিশেষ জানিবৰ বাবে ৬০০২৮০৬৪৪৮ আৰু ৭৫৭৬৯৩৮৮১৭ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱাৰ লগতে প্ৰতিযোগিতাৰ দিনা ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্যোক্তাসকলে।

# মিৰ্জাত মাঘী মেলা ২০২৫ৰ শুভ উদ্বোধন

**ই-সংবাদ, মিৰ্জা, ৯ জানুৱাৰীঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ মিৰ্জাৰ পলাশবাৰী আৰ বি হাইস্কুল খেল পথাৰত ৮ জানুৱাৰীৰ পৰা ১২ জানুৱাৰীলৈ আয়োজন কৰা হ'ব মাঘী মেলা ২০২৫। যোৱা বেলিৰ অভূতপূৰ্ব সফলতাৰ পাছত এইবেলিও আয়োজন কৰা হৈছে এই অনুষ্ঠান। বুধবাৰে সন্ধিয়া ৬ বজাত মাঘী মেলাৰ মুখ্য দুৱাৰ মুকলিৰ লগতে মেলা উদ্বোধন কৰে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই। মাঘী মেলাৰ সাংস্কৃতিক মঞ্চ মুকলি কৰে শৰৎ হাজৰিকাই( টীয়া সচিব, ৰূপান্তৰ আৰু উন্নয়ন বিভাগ, অসম চৰকাৰ) বন্তি প্ৰজ্বালন কৰে কাৰ্যকৰী সভাপতি নয়ন কুমাৰ আৰু ধনঞ্জয় ঠাকুৰীয়াই। উদ্বোধনী ভাষণ ৰাখে স্থানীয় বিধায়ক হেমাংগ ঠাকুৰীয়াই। উক্ত উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে মাঘী মেলা উদযাপন সমিতিৰ সভাপতি পংকজ কুমাৰ দাস, কাৰ্যকৰী সভাপতি ধনঞ্জয় ঠাকুৰীয়া, নয়ন কুমাৰ, উপ-সভাপতি ৰবিন দাস, যুগল কাকতি, হৰমোহন দাস, তপন দাস, তপন দেৱান, সাধাৰণ সম্পাদক ভাস্কৰ ডেকা, সঞ্জীৱ কুমাৰ দাস, সহঃ সাধাৰণ সম্পাদক পাপৰি ডেকা, ভৰজিৎ বৰ্মন, কোষাধ্যক্ষ



সৰোজ কুমাৰ ঠাকুৰীয়াৰ লগতে ভালে সংখ্যক বিশিষ্ট ব্যক্তি। উল্লেখ্য যে যোৱা বেলিৰ দৰে এইবেলিও মাঘীমেলা ২০২৫ ৰ বিশেষ আকৰ্ষণ হিচাপে থাকিব আদৰ্শ গাঁও, পুতলা নাচ, মেজি, বিভিন্ন ধৰণৰ পিঠা-পনাৰ প্ৰদৰ্শনী। উক্ত মেলাত অসমৰ বিভিন্ন জিলাৰ পৰা অহা জনজাতীয় খাদ্য সম্ভাৰৰ লগতে থলুৱা খাদ্যৰ জুতি ল'ব পাৰিব ৰাইজে।

# ঋণৰ বোজা সহিব নোৱাৰি নিৰুদ্দেশ ৪৫ বছৰীয়া মহিলা

**ই-সংবাদ, মৈৰাবাৰী, ৯ জানুৱাৰীঃ** মৰিগাঁও জিলাৰ মিকিৰভেটা আৰক্ষী থানাৰ অন্তৰ্গত বেহগুৰি গাঁৱৰ আব্দুল হামিদ ভূঞাৰ পত্নী হাজেৰা খাতুন(৪৫)-এ আজিৰ পৰা প্ৰায় দুই মাহ পূৰ্বে লোৱা এক সিদ্ধান্তই অঞ্চলজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মহিলাগৰাকীৰ স্বামীয়ে জানিবলৈ দিয়া মতে, পুত্ৰৰ প্ৰয়োজন হোৱাত মহিলাগৰাকীয়ে ডেৰ লাখ টকা একেখন গাঁৱৰে এজন লোকৰ পৰা ধাৰত লয়। পিছলৈ পুত্ৰই সেই ধাৰ মাৰিবলৈ অমান্তি হোৱাত বৃদ্ধ পিতৃ-মাতৃয়ে মানসিকভাৱে ভাগি পৰে। মহিলাগৰাকীয়ে ধাৰ মাৰিবলৈ পুত্ৰক বাৰম্বাৰ অনুৰোধ কৰিও বিফল হোৱাত সহজ সৰল মহিলাগৰাকী মানসিকভাৱে ভাগি পৰে আৰু দুই মাহ পূৰ্বে ঘৰৰ পৰা ওলাই যায়। ঘৰৰ পৰা ওলিা যোৱাৰ পিছত আজি পৰ্যন্ত মহিলাগৰাকী সন্ধানহীন হৈ পৰে। বিগত দুটা মাহে মিকিৰভেটা আৰক্ষীৰ সহযোগত মহিলাগৰাকীৰ কোনো ধৰণৰ সন্ধান লাভ কৰিবলৈ সক্ষম নোহোৱাত আজি মৈৰাবাৰী প্ৰেছ ক্লাবৰ একাংশ সাংবাদিকৰ ওচৰ চাপে মহিলাগৰাকীৰ স্বামী। কোনো সদাশয় ব্যক্তিয়ে মহিলাগৰাকীৰ সন্ধান লাভ কৰিলে 7627921056 অথবা 6002949403 নম্বৰত যোগাযোগ কৰিবলৈ মহিলাগৰাকীৰ স্বামী তথা পৰিয়ালৰ লোকে কাতৰভাৱে অনুৰোধ জনাইছে।

# দুলীয়াজানত গ্ৰেট খালীৰ ডিলাৰ মুকলি

**ই-সংবাদ, দুলীয়াজান, ৯ জানুৱাৰীঃ** ডব্লিউডব্লিউই খ্যাত গ্ৰেট খালী বুধবাৰে উপস্থিত হয় দুলীয়াজানত। গ্ৰেট খালীয়ে টিংৰাই চাৰিআলিৰ পানবাৰীস্থিত হিৰ' মটৰ্ছ ৰকেট ইভিৰ এটা ডিলাৰ মুকলি কৰে। উল্লেখযোগ্য যে, হিৰ' মটৰ্ছ ৰকেট ইভিৰ ব্ৰেণ্ড এম্বেচাদৰ হ'ল বিশ্ব বিখ্যাত মল্লযোদ্ধা গ্ৰেট খালী। দুলীয়াজানত উপস্থিত হোৱাৰ পিছতে গ্ৰেট খালীক ওচৰৰ পৰা চাবলৈ ভিৰ কৰে স্থানীয় লোকসকলে। ইফালে, ডিলাৰ মুকলিৰ পিছত মল্লযোদ্ধাগৰাকীয়ে এখন সংবাদ মেল সম্বোধন কৰি কয়, "ভাৰতৰ পঞ্জাৱ, হাৰিয়ানা, হিমাচল প্ৰদেশ আদি ঠাইৰ দৰে অসমতো হিৰ' মটৰ্ছ ৰকেট ইভিৰ ই-ৰিক্সাৰ ডিলাৰ মুকলি কৰা হৈছে। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোন আছে প্ৰদূষণ মুক্ত ভাৰত গঢ়াৰ। সেয়েহে এই ই-ৰিক্সাৰ জৰিয়তে বহু দুখীয়া তথা নিম্ন মধ্যবিত্ত শ্ৰেণীৰ লোকৰ কৰ্ম সংস্থাপন হোৱাৰ লগতে এখন প্ৰদূষণ মুক্ত ভাৰত গঢ়ি তুলিবলৈ সক্ষম হ'ব।" উল্লেখ্য যে, এই ডিলাৰ মুকলি অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে দুলীয়াজানৰ বিধায়ক টেৰছ গোৱালা।

## ৪০ গৰাকী অগপ-বিজেপিৰ কৰ্মীৰ কংগ্ৰেছত যোগদান

# সৃজনগ্ৰাম সমষ্টিত অগপ আৰু বিজেপিত ব্যপক খহনীয়া

**ই-সংবাদ, কোকিলা, ৯ জানুৱাৰীঃ** পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বেই নৱগঠিত সৃজনগ্ৰাম বিধানসভা সমষ্টিত অগপ আৰু বিজেপিত ব্যপক খহনীয়া অব্যাহত আছে। যোৱা এমাহত অগপ-বিজেপিৰ শশ কৰ্মী কংগ্ৰেছত যোগদান কৰিছে। আজি আবেলি বঙাইগাঁও জিলাৰ বাণিজ্য বজাৰস্থিত সৃজনগ্ৰাম ৰাজীৱ ভৱনত কংগ্ৰেছৰ যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। সৃজনগ্ৰাম ব্লক কংগ্ৰেছৰ সভাপতি ছেকান্দাৰ প্ৰধানীৰ সভাপতিত্বত অনুষ্ঠিত যোগদান কাৰ্যসূচীত স্থানীয় বিধায়ক আব্দুল বাতিন খন্দকাৰৰ উপস্থিতিত অগপ আৰু বিজেপিৰ ৪০ গৰাকী কৰ্মীয়ে কংগ্ৰেছ দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। অবিৰাম আৰ্য আৰু জগন্নাথ সৰকাৰৰ নেতৃত্বত কংগ্ৰেছ দলত যোগদান কৰাসকল হৈছে গোপাল সৰকাৰ, লক্ষীবালা সৰকাৰ, দুলালিবালা সৰকাৰ, নেপাল সৰকাৰ, আদুৰি আৰ্য, বাবুলাল সৰকাৰ, দিপালী আৰ্য, ঊষা আৰ্য, লক্ষীবালা আৰ্য, বীৰেন্দ্ৰ আৰ্য, যুধিষ্ঠিৰ আৰ্য, ধনঞ্জয় আৰ্য, ৰতনাবালা আৰ্য, লতাবালা আৰ্য, ভঞ্জন সৰকাৰ, উজ্জ্বল চন্দ্ৰ আৰ্য, প্ৰদীপ ৰায়, নয়নমণি ৰায়, প্ৰফুল্ল কুমাৰ ৰায়, প্ৰতিবাহিৰা ৰায়, বাপন সৰকাৰ, স্বৰস্বতী মণ্ডল, সূৰ্যকান্ত মণ্ডল, ৰুমা আৰ্য, গংগাৰাণী সৰকাৰ, স্বপ্নবালা সৰকাৰ, সুকদেৱ ৰায়, মুন্নি সৰকাৰ, দুলাল আৰ্য, দুৰ্গা চৰণ আৰ্য, জয়ন্তী বালা আৰ্য, সুভাষ চন্দ্ৰ আৰ্য, সুমিত্ৰা বালা আৰ্য, বাসুদেৱ আৰ্য, কল্পনাবালা আৰ্য।যোগদান কাৰ্যসূচীত স্থানীয় বিধায়ক আব্দুল বাতিন খন্দকাৰ, বঙাইগাঁও জিলা যুৱ কংগ্ৰেছৰ সভাপতি আইৰিচ আহমেদ, মণ্ডল কংগ্ৰেছৰ সভাপতি মহিৰ উদ্দিন মণ্ডলৰ লগতে সৃজনগ্ৰাম ব্লক কংগ্ৰেছৰ কেইবাগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

# গুণোৎসৱত ব্যতিক্ৰমী পদক্ষেপ, সমাজলৈ বাৰ্তা দি প্ৰদৰ্শন বিভিন্ন কলা কৌশল

**ই-সংবাদ, কামপুৰ, ৯ জানুৱাৰীঃ** ৰাজ্যৰ শিক্ষা ব্যৱস্থা উন্নত আৰু সক্ৰিয় কৰিবৰ বাবে শিক্ষা বিভাগে বিদ্যালয়সমূহত আৰম্ভ কৰিছে গুণোৎসৱ। এইবৰ্ষত তিনিটা পৰ্যায়ত অনুষ্ঠিত হ'ব লগীয়া এই গুণোৎসৱ প্ৰথম পৰ্যায়ত সামৰি লৈছে ৰাজ্যৰ কেইবাখনো জিলাৰ লগতে নগাঁও জিলাকো। ৰাজ্যৰ শিক্ষাখণ্ডত সপ্তমবাৰৰ বাবে অয়োজন কৰা গুণোৎসৱৰ প্ৰথম পৰ্যায়ৰ গুণোৎসৱৰ আজি অন্তিম দিন। আজিৰ শেষৰটো দিনত কামপুৰৰ এখন বিদ্যালয়ে ব্যতিক্ৰমী পদক্ষেপ লোৱা দেখিবলৈ পোৱা গ'ল। বিদ্যালয়খন হ'ল নগাঁও জিলাৰ কঠীয়াতলী শিক্ষাখণ্ডৰ অন্তৰ্গত কামপুৰ পলশাবাৰী প্ৰাথমিক বিদ্যালয়। এখন ভিতৰুৱা গাঁৱত অৱস্থিত এই বিদ্যালয়খনত সমাজলৈ বহু বাৰ্তা দি প্ৰদৰ্শন কৰা হ'ল বিভিন্ন কলা-কৌশল। পুৱা বিদ্যালয়লৰ পতাকা উত্তোলনৰ পিছতেই ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰাতঃ সভা অনুষ্ঠিত হোৱাৰ লগতে পেৰেড প্ৰদৰ্শন কৰে। ইয়াৰ পিছতেই গুণোৎসৱৰ উপলক্ষে অনুষ্ঠিত কৰা এখন প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে ৰহা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা ড০ নন্দিতা গোস্বামীয়ে। প্ৰদৰ্শনীখনত অসমীয়াৰ গ্ৰাম্য জীৱনৰ বিভিন্ন সা-সামগ্ৰী, অসমীয়া মহিলাসকলে পৰিধান কৰা চাদৰ-মেখেলা, অসমীয়া মহিলাসকলে নিজ হাতৰে তৈয়াৰ কৰা উলৰ মাফলা আদি প্ৰদৰ্শন কৰে। ইয়াৰ পিছতে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক মূল্যায়ন পৰীক্ষা অনুষ্ঠিত হোৱাৰ পিছত বিয়লি কণকণ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে গাঁৱৰ মহিলাসকলে প্ৰদৰ্শন কৰে নাম-কীৰ্তন। ইয়াৰ পিছতে বিদ্যালয়খনত নতুনকৈ স্থাপন কৰা চি চি কেমেৰা উদ্বোধন কৰে কঠীয়াতলী শিক্ষা খণ্ডৰ বিষয়া মইদুল ইছলামে। ইফালে, পুৱাৰেই পৰা বিদ্যালয়খনত শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। বিগত বৰ্ষৰ গুণোৎসৱ প্ৰক্ৰিয়াত একাধাৰে পাঁচ বাৰকৈ A+, এবাৰ A গ্ৰেড পাই উন্নত ফলাফল দেখুৱালৈ সক্ষম হোৱা বিদ্যালয়খনে এইবাৰো যথেষ্ট ভাল ফলাফল দেখুৱাব পাৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। আজি পুৱাই বিদ্যালয়খনত উপস্থিত থাকে গুণোৎসৱ বহী মূল্যায়ক ড০ নন্দিতা গোস্বামী, নিৰীক্ষক ক্ৰমে অভিজিৎ মজুদাৰ, অমিয় কুমাৰ বৰা, দ্বীপ জ্যোতি কোঁচ, সতজিৎ বিশ্বাস, কৰবি হাজৰিকা, শিল্পী শিখা ভূঞা, পৰিচলনা সমিতিৰ সভানেত্ৰী অনামিকা দাস, অভিভাৱক মঞ্চৰ সভাপতি ডা০ ছাদ্দাম হুছেইন, সম্পাদিকা পায়েল দেৱনাথৰ লগতে গাঁওখনৰ বিভিন্ন ব্যক্তি।

# নলবাৰী দতৰাত শৈক্ষিক সভা সম্পন্ন

**ই-সংবাদ ব্যুৰ', নলবাৰী, ৯ জানুৱাৰীঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্গত ১নং দতৰা মণ্ডল সমল কেন্দ্ৰত আজি এখন উচ্চস্তৰীয় গুৰুত্বপূৰ্ণ শৈক্ষিক সভা সম্পন্ন হয়। শিক্ষাকেন্দ্ৰটোৰ সমন্বয়ক অৰূপজোতি দাসে পৰিচালনা কৰা সভাখনত সমল ব্যক্তিৰূপে উপস্থিত থাকে 'নিপুণ অসম অভিযান'ৰ ৰাজ্যিক সমল গোটৰ সদস্য তথা লেখক সুভাষ বৰ্মন আৰু ধমধমা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক পংকজ দাস। সুভাষ বৰ্মনে আগন্তুক গুণোৎসৱৰ প্ৰস্তুতিৰ ক্ষেত্ৰত শিক্ষকৰ কৰণীয়, শিকন-পঠনৰ ক্ষেত্ৰত স'ততে সন্মুখীন হোৱা কঠিন দিশসমূহৰ ওপৰত আলোকপাত কৰে। সমল ব্যক্তি পংকজ দাসে প্ৰাক্ শৈশৱকালীন যতন আৰু শিক্ষা সন্দৰ্ভত আলোচনা আগবঢ়োৱাৰ লগতে বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ প্ৰায়োগিক দিশ সন্দৰ্ভতো বক্তব্য উপস্থাপন কৰে। এই সভাতে সমল কেন্দ্ৰ পৰ্যায়ত অনুষ্ঠিত শিক্ষণ-শিকন সামগ্ৰীৰ প্ৰদৰ্শনী তথা প্ৰতিযোগিতাৰ বিজয়ী সিদ্ধি শৰ্মা ছোৱালী হাইস্কুলৰ সহকাৰী শিক্ষয়িত্ৰী আভা বৈশ্য আৰু আমৰা ধনৰা প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক নিতুপৰ্ণ নাথক পুৰস্কৃত কৰা হয়। এই সভাতে চি আৰ চি চি অৰূপজোতি দাসে কাৰিকৰী শিক্ষাৰ গুৰুত্বৰ বিষয়ে বৰ্ণনা কৰে। সভাত শিক্ষকসকলে সোধা বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে সমল ব্যক্তি সুভাষ বৰ্মনে। এই অনুষ্ঠান সফলভাৱে ৰূপায়ণ কৰা বাবে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সমীন বৈশ্যই সকলোকে ধন্যবাদ জ্ঞাপন কৰিছে।

# তামুলপুৰত মহাকাশ প্ৰযুক্তি আৰু ভূস্থানিক উত্তৰণ সম্পৰ্কীয় কৰ্মশালা

**ই-সংবাদ, তামুলপুৰ, ৯ জানুৱাৰীঃ** আজি তামুলপুৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা প্ৰশাসনৰ সহযোগত আৰু অসম চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ অসম ৰাজ্যিক মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ উদ্যোগত জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়াসকলৰ মাজত এখনি কৰ্মশালা অনুষ্ঠিত হয়। অসম ৰাজ্যিক মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ সঞ্চালক পি এল এন ৰাজুৰ আদৰণী ভাষণেৰে আৰম্ভ হোৱা কৰ্মশালাখনিত সন্মানীয় অতিথিৰ সম্বোধন আগবঢ়ায় জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে। আদৰণী ভাষণত সঞ্চালক পি এল এন ৰাজুৱে কয় যে মহাকাশ প্ৰযুক্তিৰ প্ৰয়োগেৰে তামুলপুৰক আমি কেনেকৈ এখনি আদৰ্শ জিলা হিচাপে গঢ়ি তুলিব পাৰো, তাৰ বাবে আমি চেষ্টা কৰিব লাগিব। জিলা আয়ুক্তগৰাকীয়েও আলোচনা প্ৰসংগত জিলাখনৰ এটি বিশেষ সমস্যা 'হস্তী-মানুহৰ সংঘাত' প্ৰতিৰোধৰ ক্ষেত্ৰত মহাকাশ প্ৰযুক্তিৰ প্ৰয়োগৰ প্ৰসংগও উল্লেখ কৰে। কৰ্মশালাৰ আৰম্ভণিতে তামুলপুৰ সম্পৰ্কীয় এখনি পুস্তিকাও উন্মোচন কৰা হয়। সঞ্চালক ৰাজুৱে বিভিন্ন প্ৰয়োগৰ বাবে মহাকাশ প্ৰযুক্তি আৰু ভূস্থানিক সঁজুলি সম্পৰ্কে বিতংকৈ আলোচনা কৰে। উত্তৰ-পূব মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ বিষয়া ড০ বি কে সন্দিকৈয়ে অসমৰ গুৰুত্বৰে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে মহাকাশ প্ৰযুক্তি আৰু ভূস্থানিক সেৱাৰ প্ৰয়োগ সম্পৰ্কে বিতং ব্যাখ্যা আগবঢ়ায়। আৰ এছ আৰু জি আই এছ এপ্লিকেছন সম্পৰ্কে আলোচনা কৰে অসম ৰাজ্যিক মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ অতিৰিক্ত সঞ্চালক উৎপল শৰ্মাই। কৰ্মশালাত সু-শাসন প্ৰয়োগ সম্পৰ্কেও আলোচনা কৰা হয়। বিশেষকৈ এন ই এছ ডি আৰ, এন আৰ এছ চি, ইছৰোৰ ম'বাইল এপ্ আৰু ডাছবৰ্ড প্ৰদৰ্শন আগবঢ়ায় উত্তৰ-পূব মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ বিষয়া নিলয় নিশান্তে। ইয়াৰ সমান্তৰালভাৱে অসম ৰাজ্যিক মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ বিজ্ঞানী তথা বিষয়াবৰ্গ ৰুণজুন বৰুৱা, কৌস্তভ বৰুৱা, দেৱাশিস বৰুৱা, দীপাংকৰ শৰ্মা, জুমণি বৰুৱা, ড০ কল্যাণজিৎ শৰ্মা, প্ৰাণজিৎ কলিতা আদিয়েও মহাকাশ প্ৰযুক্তিৰ লগত সম্পৰ্কিত কিছু গুৰুত্বপূৰ্ণ বিষয় উপস্থাপন কৰে। আনহাতে, আহমেদাবাদস্থিত ইছৰোৰ বিষয়া শশীকান্ত শৰ্মা আৰু দেৰাডুনৰ আই আই আৰ এছৰ ড০ হৰিশ কৰ্ণাটকে অনলাইনযোগে আলোচনাত মিলিত হয়। আজিৰ কৰ্মশালাত অতিৰিক্ত আয়ুক্ত, সহকাৰী আয়ুক্ত আৰু বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# চাপৰ ৰত্নপীঠ মহাবিদ্যালয়ত ‘নাক’ৰ প্ৰতিনিধি দল

**ই-সংবাদ, চাপৰ, ৯ জানুৱাৰীঃ** অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা জননেতা শৰৎ চন্দ্ৰ সিংহৰ মানস কন্যা ৰূপে খ্যাত ৰত্নপীঠ মহাবিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে উপস্থিত হয় NAACৰ এটি প্ৰতিনিধি দল। আঠ জানুৱাৰী দিনা পুৱা প্ৰৱেশ দ্বাৰৰ পৰাই বিভিন্ন কাৰ্যসূচীৰে আদৰণি জনোৱা হয় প্ৰতিনিধি দলটোক। মহাবিদ্যালয়খনত উপস্থিত হৈ প্ৰতিনিধি দলটোৱে প্ৰথমে জননেতা শৰৎ চন্দ্ৰ সিংহৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।আনপিনে, NAACৰ প্ৰতিনিধি দলটোৱে বিভিন্ন দিশত পৰ্যালোচনা কৰা পৰিলক্ষিত হৈছে। প্ৰথমে প্ৰতিটো বিভাগৰ কাম-কাজৰ খতিয়ান সংগ্ৰহ কৰাৰ উপৰি বিভিন্ন দিশ পুংখানুপুংখভাৱে চালি জাৰি চায়। পৃথকে পৃথকে ছাত্ৰ-ছাত্ৰী, অধ্যাপক অধ্যাপীকা আৰু কৰ্মচাৰীৰ সৈতে বৈঠকত মিলিত হৈ মত বিনিময় কৰে। লগতে অভিভাৱক আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সৈতেও এখন বৈঠকত মিলিত হয়। য'ত NAACৰ দলে বিভিন্ন দিশত প্ৰশ্ন কৰা পৰিলক্ষিত হয়। ৰত্নপীঠ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীয়ে NAACৰ সৈতে বহু সময় বৈঠকত মিলিত হৈ প্ৰতিটো প্ৰশ্নৰ উত্তৰ আগবঢ়ায়। প্ৰথম দিনৰ পৰ্যালোচনাৰ অন্তত ৰত্নপীঠ মহাবিদ্যালয়ৰ দ্বাৰা আয়োজিত সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰে NAACৰ প্ৰতিনিধি দলটোৱে। য'ত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা আয়োজিত বিভিন্ন জনগোষ্ঠীৰ লোক নৃত্য প্ৰদৰ্শন কৰাৰ লগতে অসমৰ স্বভিমান বিহু নৃত্য প্ৰদৰ্শন কৰে। বিহু নৃত্য চাই আপ্লুত হয় NAACৰ দলটো। আনহাতে, ৯ জানুৱাৰীত নাকৰ দলটোৱে মহাবিদ্যালয়খনৰ কাৰ্যালয়, শ্ৰেণী কোঠা, আন্তঃগাঁথনি আদিৰ পৰ্যবেক্ষণ কৰাৰ লগতে মহাবিদ্যালয়খনৰ মেনেজিং কমিটী আৰু মহাবিদ্যালয়খনৰ অধ্যাপকৰ সৈতে এক আলোচনাত মিলিত হয়। পিছত আবেলি নাকৰ দলটোৱে মহাবিদ্যালয়খনৰ পৰা প্ৰস্থান কৰে।

## গোলকগঞ্জত ব্ৰয়লাৰ ভৰ্তি বাহন এৰা-ধৰাৰ খেল আক্ৰাছুৰ

# অসম-পশ্চিমবংগ সীমান্তত সক্ৰিয় নিষিদ্ধ ব্ৰয়লাৰ ছিণ্ডিকেট

**ই-সংবাদ, গোলকগঞ্জ, ৯ জানুৱাৰীঃ** বহিঃৰাজ্যৰ ব্ৰয়লাৰ অসমত আমদানিত পশুপালন বিভাগে নিষেধাজ্ঞা জাৰি কৰাৰ পিছতো ধুবুৰী জিলাৰ অসম-পশ্চিমবংগ সীমান্তত অব্যাহত আছে পশ্চিমবংগৰ নিষিদ্ধ ব্ৰয়লাৰৰ আমদানি। নিশাৰ ভাগত পশ্চিমবংগৰ পৰা শতাধিক নিষিদ্ধ ব্ৰয়লাৰ ভৰ্তি পিকআপ ভেন অসমত প্ৰৱেশ কৰি আহিছে। দিছপুৰৰ আশীষধন্য এটা ছিণ্ডিকেট বাহিনীৰ নেতৃত্বত সকলো নীতি-নিয়ম জলাঞ্জলি দি নথি-পত্ৰ অবিহনে চলিছে এই অবৈধ ব্যৱসায়। সমগ্ৰ ব্যৱসায় আৰক্ষীয়ে নিজৰ নিয়ন্ত্ৰণত পৰিচালনা কৰাৰ এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। যোৱা নিশা ইয়াক কেন্দ্ৰ কৰি গোলকগঞ্জত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। জানিব পৰা মতে, নিশা আক্ৰাছুৰ পশ্চিম ধুবুৰী জিলা সমিতিৰ সভাপতি অসীম ৰায়(শ্যাম)ৰ নেতৃত্বত এটা বৃহৎ দলে গোলকগঞ্জৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ৰে'ল ক্ৰছিঙৰ সমীপত AS-17 C-7818, AS-19 AC-6282 আৰু AS-01 QC-5696 নম্বৰৰ পশ্চিমবংগৰ পৰা নিষিদ্ধ ব্ৰয়লাৰ কঢ়িয়াই অনা তিনিখন বলেৰ' পিকআপ ভেন আটক কৰে। চালক তিনিজনে সংবাদ মাধ্যমৰ আগত স্বীকাৰ কৰা মতে, পশ্চিমবংগৰ পৰা অসমত সোমাবলৈ তেওঁলোকৰ লগত কোনো নথি-পত্ৰ নাই। যিহেতু বহিঃৰাজ্যৰ পৰা যাতে বাৰ্ড ফ্লুৰ বীজাণু অসমত প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে বিভাগে নিষেধাজ্ঞা জাৰি কৰিছে। সেয়ে অসমৰ মাজেৰে উত্তৰ পূবৰ অইন ৰাজ্যলৈ সৰবৰাহ কৰিলেও সীমান্তত পশুপালন বিভাগৰ পৰা প্ৰমাণ পত্ৰৰ প্ৰয়োজন আছে। পশুপালন বিভাগৰো কোনা প্ৰমাণ পত্ৰ নোহোৱাকৈ অত্যাধিক ওজন কঢ়িয়াই নিয়াকে ধৰি সকলো ধৰণৰ নীতি-নিয়ম বাহন কেইখনে উলংঘা কৰিছে। খবৰ পাই তৎক্ষণাত গোলকগঞ্জ থানাৰ সহঃ পৰিদৰ্শক অজিত বৰুৱা ঘটনাস্থলীত উপস্থিত হৈ বাহন কেইখন এৰি দিবলৈ নিৰ্দেশ দিয়ে। আৰক্ষী বিষয়াৰ নিৰ্দেশত আক্ৰাছু দলটো ক্ষুব্ধ হৈ পৰে। আক্ৰাছু নেতা শ্যামে অতিশীঘ্ৰে বাহন কেইখনৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনায়। এই সন্দৰ্ভত শ্যাম ৰায়ে সংবাদ মাধ্যমৰ যোগেদি জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকক নিষিদ্ধ ব্ৰয়লাৰৰ সৰবৰাহ বন্ধ কৰাৰ দাবী জনায় অন্যথা ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰাৰ সকীয়নি দিয়ে। অৱস্থা উত্তপ্ত হৈ পৰাত আৰক্ষী বিষয়া বৰুৱাই বাহন তিনিখন থানালৈ নিয়ে। থানাত বিভিন্ন পক্ষৰ পৰা শ্যামৰ ম'বাইলত ফোন অহাৰ পিছতে নাটকীয়ভাৱে শ্যাম ঘটনাস্থলীৰ পৰা অন্তৰ্ধান হয়। সেই সুযোগতেই আৰক্ষী বিষয়া অজিত বৰুৱা বাহন তিনিখন লৈ তীব্ৰ বেগত থানাৰ পৰা ওলাই যায়। ইতিমধ্যেই ৰহস্যজনক ফোনক লৈ আক্ৰাছু দলটোৰ মাজত মতানৈক্য হয়। দলটো বিভাজন হৈ জিলা সহকাৰী সম্পাদক প্ৰসেনজিত ৰায়ৰ নেতৃত্বত এটা দলে ষ্টেট বেংকৰ সন্মুখত পুনৰ বাহন তিনিখন আটক কৰে। বাহন কেইখন গোপনে নিয়াৰ চেষ্টা চলোৱা বাবে প্ৰসেনজিতে আৰক্ষী বিষয়া বৰুৱাক কটু বাক্যবাণেৰে থকা সৰকা কৰে। পুনৰ সৃষ্টি হয় আন এক উত্তপ্ত পৰিস্থিতিৰ। আৰক্ষী বিষয়াগৰাকী প্ৰসেনজিতৰ লগত আলোচনাত মিলিত হয়। কিছু সময় পিছত পুনৰ শ্যাম আহি উপস্থিত হয়। দীৰ্ঘ সময়ৰ আলোচনাৰ অন্তত বাহন তিনিখন আৰক্ষী বিষয়াগৰাকীয়ে মুকলি কৰি নি নিজৰ এলেকা পাৰ কৰি দিয়ে। আক্ৰাছুৰ আনটো গোটৰ সভাপতি চন্দনে ঘটনাটোৰ মধ্যস্থতা কৰাৰ অভিযোগ উত্থাপিত হৈছে। যোৱা ত্ৰিশ ডিচেম্বৰত বেলগুৰি আৰক্ষী বেৰিকেডৰ সমীপত আক্ৰাছুৰ ৰাতুল, অমিত্য আদিয়ে একেদৰে ব্ৰয়লাৰ কঢ়িওৱা বাহন আটক কৰি ফোনত যোগাযোগ কৰি এৰি দিয়ে। ইতিমধ্যে বহুধাবিভক্ত কোচৰাজবংশী জনগোষ্ঠীয় ছাত্ৰ সংগঠনৰ শেহতীয়া কাৰ্যকলাপে জনগোষ্ঠীয় সচেতন নাগৰিকৰ মাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# অৱতাৰ নেওগৰ মৃত্যুত কাকপথাৰত শোকৰ ছাঁ

**ই-সংবাদ, কাকপথাৰ, ৯ জানুৱাৰীঃ** তিনিচুকীয়া জিলাৰ অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী সোণজান গাঁও নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক অৱতাৰ নেওগৰ যোৱা নিশা ১১.২১ বজাত নিজা বাসগৃহতে দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল প্ৰায় ৮১ বছৰ। তেওঁ ইহ সংসাৰত একমাত্ৰ সাংবাদিক পুত্ৰ মনোৰঞ্জন নেওগ, বোৱাৰী আৰতি বকতীয়াল, নাতিনি ষষ্ঠীপ্ৰিয়া (কুঁহি) আৰু এগৰাকী কন্যা, আত্মীয়-কুটুম্ব আৰু অনেক গুণমুগ্ধক এৰি থৈ যায়। স্বৰ্গীয় নেওগ বৰডিবাক এম ভি স্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আছিল। উল্লেখ্য যে তদানীন্তন 'মৰাণ ছাত্ৰ সভা' (বৰ্তমান সদৌ মৰাণ ছাত্ৰ সন্থা)ৰ অন্যতম প্ৰতিষ্ঠাপক বিষয়ববীয়া অৱতাৰ নেওগ ডুমডুমা মহাবিদ্যালয় প্ৰতিষ্ঠাৰ প্ৰথমটো খেপৰ (নৈশ




শাখা) প্ৰথমজন ছাত্ৰ আছিল। ১৯৬৭ চনত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱা নেওগ আছিল গাঁওখনৰ প্ৰথম গৰাকী ছাত্ৰ। কৈলাসপুৰ, পেঙেৰী, কাকপথাৰ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়, মাইথং মজলীয়া বিদ্যালয় আদিত শিক্ষকতা কৰি অহা অৱতাৰ নেওগে বৰডিবাক মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰে। সেনা বাহিনীত চাকৰি কৰাৰ প্ৰবল ইচ্ছা থকা নেওগে নিপন গোস্বামীৰ স'তে চিনেমা জগতত প্ৰৱেশ কৰাৰ সুযোগো লাভ কৰিছিল। যোৰহাটৰ পৰা নৰ্মাল পাছ কৰা অৱতাৰ নেওগ আছিল অঞ্চলটোৰ এগৰাকী ধৰ্মপ্ৰাণ তথা সৰবৰহী ব্যক্তি আছিল। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে। আসাম প্ৰেছ ক'ৰেছপণ্ডেণ্টছ (আপকু)ৰ তিনিচুকীয়া জিলা সমিতিকে ধৰি মৰাণ স্বায়িত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণৰ লগতে বিভিন্ন দল-সংগঠন আৰু ব্যক্তি বিশেষে তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰিছে।

# তিনিচুকীয়াত প্ৰশাসনৰ গণৰাজ্য দিৱসৰ প্ৰস্তুতি

**ই-সংবাদ, ডুমডুমা, ৯ জানুৱাৰীঃ** প্ৰতি বছৰৰ দৰে এইবাৰো তিনিচুকীয়া জিলাত আগন্তুক গণৰাজ্য দিৱস ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। এই উদ্দেশ্যে বুধবাৰে জিলা আয়ুক্ত স্বপ্নীল পালৰ সভাপতিত্বত আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জিলা প্ৰশাসনৰ সকলো শীৰ্ষ বিষয়া, সকলো বিভাগৰ জিলা মুৰব্বী বিষয়াসকল আৰু নাগৰিক সমাজৰ প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাখনত গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি এইবেলি গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি আগতীয়াকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন, কুইজ, ৰচনা আৰু শ্ল'গান লিখা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। উক্ত প্ৰতিযোগিতাসমূহ প্ৰথমে বিদ্যালয় পৰ্যায়ত তাৰ পিছত খণ্ড পৰ্যায়ত আৰু শেষত জিলা ভিত্তিত অনুষ্ঠিত হ'ব। বিজয়ীসকলক গণৰাজ্য দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব। ২৬ জানুৱাৰীত তিনিচুকীয়াৰ আই টি আই খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া গণৰাজ্য দিৱসৰ মূল কুচকাৱাজ অনুষ্ঠানত কেবাটাও বিভাগৰ পৰা সামাজিক বাৰ্তা বাহক প্ৰতীক পট প্ৰদৰ্শন কৰাৰ লগতে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীও ৰূপায়ণ কৰাৰ সিদ্ধান্ত লোৱা হয়। গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি কাৰাগাৰৰ আৱাসী, চিকিৎসালয়ৰ ৰোগী, বৃদ্ধাশ্ৰমৰ আৱাসীসকলৰ মাজত ফল-মূল, মিঠাই আদি বিতৰণ কৰা হ'ব। এই কাৰ্যত কেবাটাও আগশাৰীৰ স্বেচ্ছাসেৱী সংগঠনেও সহায় কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। গণৰাজ্য দিৱস উপলক্ষে ৰাইজৰ সহযোগত বিশেষ চাফাই অভিযান চলাবলৈ পৌৰসভাসমূহক দায়িত্ব অৰ্পণ কৰা হৈছে।



দুলীয়াজানৰ টিংৰাই চাৰিআলিত ৰকেট ইভিৰ ডিলাৰ মুকলি গ্ৰেট খালীৰ, বুধবাৰে, ফটোঃ ই-সংবাদ, দুলীয়াজান

## কামপুৰৰ কচুৱাত ভয়াৱহ অগ্নিকাণ্ড

**ই-সংবাদ, কামপুৰ, ৯ জানুৱাৰীঃ** নগাঁও জিলাৰ কচুৱা আৰক্ষী থানাৰ অন্তৰ্গত তিনিআলী বজাৰত আজি দিনৰভাগত এক ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। অগ্নিকাণ্ডৰ ফলত বিশখনকৈ দোকান ভস্মীভূত হোৱাৰ লগতে পঞ্চাশ লক্ষাধিক টকাৰ সা সম্পত্তি জ্বলি ভস্মীভূত হয়। অগ্নিকাণ্ডৰ ভয়াৱহ ৰূপদেখি কামপুৰৰ পৰা অহা দুখনকৈ অগ্নি নিৰ্বাপক বাহিনীয়ে কচুৱা থানাৰ সহযোগত জুই নিৰ্বাপন কৰিবলৈ সক্ষম হয়। অগ্নিকাণ্ডত ৰচিদুল হক,কবিৰ উদ্দিন ,সঞ্জু বিশ্বাস ,ৰাজু আহমেদ ,ছাহাজ উদ্দিন, মাহমদ আলি, নাজিৰুল ইছলাম, আতিকুৰ ইছলাম, বাবুল দেবনাথ, ছহিদুল ইছলামসহ কেইজনৰো কাপোৰৰ দোকান, গেলামাল, মোবাইলৰ দোকান, এখন চাহৰ দোকানসহ কেবাখনো দোকান জুইত ভস্মীভূত হয়। অগ্নিকাণ্ডটো শ্বৰ্ট চাৰ্কিটৰ ফলত সংঘটিত হৈছে বুলি সন্দেহ প্ৰকাশ কৰিছে বহুজনে। অগ্নিকাণ্ডই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# বগুলামাৰী-জপিয়াত আঠ কোটিৰ পকী দলঙৰ আধাৰশিলা বিধায়ক ৰফিকুল ইছলামৰ

**ই-সংবাদ, কলগাছিয়া, ৯ জানুৱাৰীঃ** বৰপেটা জিলাৰ মন্দিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত বালাগাঁও-বগুলামাৰীৰ পৰা জপিয়া সংযোগী পথত আজি সমষ্টিটোৰ বিধায়ক ড০ হাফিজ ৰফিকুল ইছলামে ৮ কোটি ১৯ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া পকী দলঙৰ কামৰ আধাৰশিলা স্থাপন কৰে। দীৰ্ঘদিন ধৰি বৰপেটা-বঙাইগাঁও সীমান্ত এলেকাৰ বালাগাঁও-বগুলামাৰীৰ পৰা জপিয়ালৈ যাতায়াতৰ ক্ষেত্ৰত এখন পকী দলং নথকাৰ বাবে সৰ্বসাধাৰণ ৰাইজ, ছাত্ৰ-ছাত্ৰী নৰক যন্ত্ৰণা ভোগ কৰিবলগীয়া হৈছে। দীৰ্ঘদিনৰ পৰাই এখন জৰাজীৰ্ণ কাঠৰ দলঙৰ ওপৰেদি ৰাইজে যাতায়াত কৰি আহিছিল যদিও আজি পকী দলঙৰ কামৰ আধাৰশিলা স্থাপন হোৱাত ৰাইজ উৎফুল্লিত হৈ পৰে। ইপিনে, বৰপেটা জিলাত মদ-জুৱাৰ আড্ডা বন্ধ কৰাৰ ক্ষেত্ৰত আৰক্ষী প্ৰশাসন ব্যৰ্থ হোৱাৰ অভিযোগ কৰি এই সন্দৰ্ভত মুখ্যমন্ত্ৰীক অৱগত কৰা হ'ব বুলি জানিবলৈ দি আৰক্ষীৰ ভূমিকাক কঠোৰ সমালোচনা কৰে বিধায়কগৰাকীয়ে। আনহাতে, পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভতো বিধায়কগৰাকীয়ে কয় যে আমি সদায় সাজু আছো। ইতিমধ্যে পঞ্চায়ত দখলৰ বাবে এআইইউডিএফে সভা-সমিতি অব্যাহত ৰাখিছে। ছুপ্ৰিম কোৰ্টেহে ক'ব পঞ্চায়ত নিৰ্বাচন হ'ব নে নাই। যদি হয় তেন্তে ৰাজ্যখনত এআইইউডিএফে জোৰদাৰভাৱে পঞ্চায়ত নিৰ্বাচনত অংশগ্ৰহণ কৰিব বুলি কয় বিধায়কগৰাকীয়ে।

# মিলনপুৰ বজাৰ উন্নয়ন সমিতিৰ সোণালী জয়ন্তী

**ই-সংবাদ, ধূপধৰা, ৯ জানুৱাৰীঃ** গোৱালপাৰা আৰু কামৰূপ জিলাৰ সংযোগস্থলী ধূপধৰাৰ সমীপৰ মিলনপুৰ বজাৰ উন্নয়ন সমিতিয়ে এইবেলি পঞ্চাশ বছৰ অতিক্ৰম কৰিছে। এই উপলক্ষে অহা ১১ আৰু ১২ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে মিলনপুৰ বজাৰ উন্নয়ন সমিতিয়ে সোণালী জয়ন্তী উৎসৱ পালন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাইছে। সোণালী জয়ন্তী উৎসৱ উপলক্ষে ইতিমধ্যে উমেশ চন্দ্ৰ মেধিক সভাপতি, হৰিদাস বিশ্বাসক সম্পাদক, মনোমোহন নাথক উপ-সভাপতি, নিৰঞ্জন ঠাকুৰীয়াক সহঃ সম্পাদক হিচাপে লৈ এখন শক্তিশালী উদযাপন সমিতি গঠন কৰা হৈছে। উদযাপন সমিতিৰ প্ৰচাৰ উপ-সমিতিৰ সভাপতি অজয় কুমাৰ শীলে জানিবলৈ দিয়া কাৰ্যসূচী অনুসৰি ১১ জানুৱাৰীৰ পুৱা ন বজাত সোণালী জয়ন্তীৰ পতাকা উত্তোলন কৰা হব। ইয়াৰ পিছত দহ বজাত স্মৃতি তৰ্পণ কৰা হব। স্মৃতি তৰ্পণৰ পিছতে গছপুলি ৰোপণ আৰু চাৰে দহ বজাত সম্বৰ্ধনা আৰু অন্তৰংগ আলাপ অনুষ্ঠিত হ'ব। আনহাতে, সোণালী জয়ন্তী মহোৎসৱত সন্ধিয়া পাঁচ বজাত পঞ্চাশ গছি বন্তি প্ৰজ্বলন কৰা হ'ব। ১২ জানুৱাৰীত পুৱা ন বজাত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হ'ব। আনহাতে, দিনৰ এক বজাত মুকলি সভা অনুষ্ঠিত হোৱাৰ পিছত সন্ধিয়া সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হব। সাংস্কৃতিক সন্ধিয়াত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী প্ৰিয়ংকা ভৰালীয়ে গীত পৰিৱেশন কৰিব বুলি উদ্যোক্তাসকলে জনাইছে।



কামপুৰৰ কচুবাত বিধ্বংসী অগ্নিকাণ্ড

# মৰিগাঁৱৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ত মুখ্যমন্ত্ৰীৰ ভিজিলেন্সৰ অভিযান

**ই-সংবাদ, মৰিগাঁও, ৯ জানুৱাৰীঃ** মৰিগাঁৱৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ত আজি মুখ্যমন্ত্ৰীৰ ভিজিলেন্স আৰু বন বিভাগৰ উচ্চ পৰ্যায়ৰ এটা তদন্তকাৰী দলে আকস্মিক অভিযান চলোৱা কাৰ্যই ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য মতে, মৰিগাঁৱৰ বনাঞ্চলিক বিষয়া শিৱানী পেগু দলেৰ স্বামী অশ্বিনী দলে শিৱসাগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া। তেওঁৰ আয়ৰ সামঞ্জস্যহীন সম্পত্তিৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীৰ ভিজিলেন্স দলে কেইদিনমান পূৰ্বে এক অভিযান চলাইছিল। অশ্বিনী দলেৰ গুৱাহাটী পাঞ্জাবাৰীৰ বাসগৃহতো মুখ্যমন্ত্ৰীৰ ভিজিলেন্স দলে তালাচী চলাইছিল। পাঞ্জাবাৰীস্থিত উক্ত বাসগৃহৰ পৰা উদ্ধাৰ হৈছিল বহু মূল্যৱান কাঠৰ লগতে আয় বৰ্হিভূত বহু সম্পত্তিৰ বহু আপত্তিজনক তথ্য। শিৱসাগৰ, পাঞ্জাবাৰীৰ লগতে দলেৰ পত্নীৰ মৰিগাঁৱৰ কাৰ্যালয়টো অভিযান চলাইছে অভিযানকাৰীৰ দলটোৱে। প্ৰণিধানযোগ্য যে অশ্বিনী দলেৰ পৰিবাৰ শিৱানী দলে ৰেঞ্জাৰ হোৱাৰ সুবাদতে ঘৰত ব্যৱহাৰ কৰিছিল বহু মূল্যৱান কাঠ। উদ্ধাৰ হোৱা কাঠখিনি চোৰাংকৈ ঘৰত ব্যৱহাৰ কৰাৰ সন্দেহ ঘনীভূত হৈছিল।ইয়াৰে সূত্ৰ ধৰি আজি ভিজিলেন্স আৰু বন বিভাগৰ উচ্চ পৰ্যায়ৰ তদন্তকাৰী দলটোৱে মৰিগাঁও বন সংমণ্ডলৰ বনাঞ্চলিক বিষয়াগৰাকীৰ কাৰ্যালয়ত এই অভিযান চলায়। অভিযানকাৰী দলটোৱে এই সম্পৰ্কত কোনো ধৰণৰ মন্তব্য দিয়াৰ পৰা ৰহস্যজনকভাৱে বিৰত থাকে।

# পলাশবাৰীত অনলাইন মাৰ্কেটিঙৰ প্ৰৱঞ্চনাৰ জাল বহিৰাগত কোম্পানীৰ

**ই-সংবাদ, মিৰ্জা, ৯ জানুৱাৰীঃ** দক্ষিণ কামৰূপত শেহতীয়াকৈ ফাদিল হোৱা টাইটান কেপিটেল নামৰ অনলাইন ট্ৰেডিং কোম্পানীৰ প্ৰৱঞ্চনাৰ ঘটনা মাৰ নৌযাওঁতেই, এইবাৰ দক্ষিণ কামৰূপৰ উপৰহালীত বহিৰাগত ৰিল ইণ্ডিয়া নামৰ অনলাইন মাৰ্কেটিং কোম্পানীৰ বৃহৎ প্ৰৱঞ্চনাৰ তথ্য পোহৰলৈ আহিছে। বহিৰাগত অনলাইন মাৰ্কেটিঙৰ কোম্পানীসমূহৰ ৰম্যভূমিহে যেন দক্ষিণ কামৰূপ। বৰ্তমানলৈকে পলাশবাৰীত অনলাইন মাৰ্কেটিঙৰ নামত জনসাধাৰণক ৰাম ঠগন দিয়া হৈছে। দক্ষিণ কামৰূপৰ উপহালীত গঢ় লৈ উঠা ৰিল ইণ্ডিয়া নামৰ বহিৰাগত অনলাইন মাৰ্কেটিঙৰ কোম্পেনীয়ে জনসাধাৰণক ৰাম ঠগন দি থকাৰ গুৰুতৰ অভিযোগ সেই কোম্পানীত নিয়োজিত হৈ থকা কৰ্মচাৰীৰ। কৰ্মচাৰীয়ে অভিযোগ দিলে মাৰপিট কৰাৰ ঘটনাও পোহৰলৈ আহিছে। অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ বহু ৰাজ্যৰ যুৱক-যুৱতী নিয়োজিত হৈ আছে এই কোম্পানীত। যিটো সময়ত সমগ্ৰ অসমত অনলাইন ট্ৰেডিঙৰ নামত জনসাধাৰণৰ টকা আত্মসাত কৰাৰ অভিযোগ উত্থাপিত হৈ আহিছে, ঠিক তেনেসময়তে এই ৰিল ইণ্ডিয়া নামৰ বহিৰাগত অনলাইন মাৰ্কেটিঙৰ কোম্পানীটোৱে সাধাৰণ জনতাক টাৰ্গেট কৰি লৈছে। এই কোম্পানীটোৰ লক্ষ্য, ২০ পৰা ৩০ বছৰৰ যুৱক-যুৱতীক ৰিল ইণ্ডিয়া কোম্পেনীটোত যোগদান কৰাই ৪ হেজাৰৰ পৰা ৪০ হেজাৰ পৰ্যন্ত টকা লুণ্ঠন কৰা। ইতিমধ্যে ভুক্তভোগী কৰ্মৰত কৰ্মচাৰীসকলে এই কোম্পানীটোৰ বিৰুদ্ধে বিজয়নগৰ আৰক্ষী চকীত এজাহাৰ দাখিল কৰি কোম্পানীটোৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

# গণৰাজ্য দিৱসৰ কাৰ্যসূচীলৈ নিমন্ত্ৰিত জাগীৰোডৰ কৃষক প্ৰেমানন্দ বিশ্বাস

**ই-সংবাদ, জাগীৰোড, ৯ জানুৱাৰীঃ** ৰাষ্ট্ৰপতি ভৱনৰ পৰা আহিছে এখন বিশেষ নিমন্ত্ৰণী পত্ৰ। যিখন পত্ৰই হাঁহি বিৰিঙাইছে এজন সাধাৰণ লোকৰ মুখত। জাগীৰোডৰ সৰু মাটিপৰ্বত গাঁৱৰ এজন সাধাৰণ কৃষক নাম তেওঁৰ প্ৰেমানন্দ বিশ্বাস। কৃষিকৰ্ম আৰু গো-পালনেৰে প্ৰেমানন্দ বিশ্বাসে পোহপাল দি আহিছে নিজ পৰিয়াল। বিগত ২০২৩-২৪ বৰ্ষত আই আই টি গুৱাহাটীৰ বায়' গেছ ডেভেলপমেণ্ট এণ্ড ট্ৰেইনিং চেণ্টাৰৰ পৰা লোকজনে লাভ কৰিছিল গোবৰ গেছৰ এটা উদ্যোগ। যাৰ জৰিয়তে লোকজনে নিজৰ ঘৰতে গোবৰৰ পৰা উৎপাদন কৰিছে জৈৱ গেছ। এই গেছেৰেই ঘৰৰ সকলো ৰন্ধন কাৰ্য কৰি আহিছে লোকজনে। গোবৰ গেছ ব্যৱহাৰেৰে প্ৰকৃতি সংৰক্ষণ কৰি অহাৰ বাবেইদিল্লীৰ ৰাষ্ট্ৰপতি ভৱনৰ পৰা ভাৰতীয় ডাক সেৱাৰ নগাঁও ডিভিজনৰ অন্তৰ্গত মৰিগাঁও ছাব ডিভিজনৰ কিলিং ভেলী ডাকঘৰৰ জৰিয়তে আহিছে এই পত্ৰখন। আগন্তুক ২৬ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া গণৰাজ্য দিৱসৰ কাৰ্যসূচীত বিশেষভাৱে আমন্ত্ৰিত হৈছে জাগীৰোডৰ সৰু মাটিপৰ্বত গাঁৱৰ প্ৰেমানন্দ বিশ্বাস। ৰাষ্ট্ৰপতি ভৱনৰ পৰা অহা নিমন্ত্ৰণী পত্ৰ লাভ কৰি আনন্দিত হৈ পৰিছে ওচৰ চুবুৰীয়াও।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# ডাঙৰীৰ ‘জ্যোতি বিদ্যাপীঠ’ৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, ডুমডুমা, ৯ জানুৱাৰীঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত ডাঙৰী অঞ্চলৰ ব্যক্তিগত খণ্ডৰ মাতৃভাষা মাধ্যমৰ অগ্ৰণী শিক্ষানুষ্ঠান 'জ্যোতি বিদ্যাপীঠ'-এ ২০২৫ বৰ্ষত ৰূপালী জয়ন্তী বৰ্ষত উপনীত হৈছে। ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি বিদ্যালয় কৰ্তৃপক্ষই এলানি সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত কৰি আহিছে। যোৱা ৮, ৯ আৰু ১০ নৱেম্বৰত তিনিদিনীয়া কাৰ্যসূচীৰে অবিভক্ত ডিব্ৰুগড় জিলা ভিত্তিত কণ্ঠ সংগীত, সত্ৰীয়া নৃত্য আৰু সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা বিদ্যালয়খনৰ ৰূপালী জয়ন্তী বৰ্ষৰ দুদিনীয়া কাৰ্য্যসূচী (৮ আৰু ৯ জানুৱাৰী)ৰ সামৰণি অনুষ্ঠানৰ আজি সফল সামৰণি পৰে। ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি আজি পুৱা বাহিৰ কৰা আকৰ্ষণীয় সাংস্কৃতিক শোভাযাত্ৰাত বিভিন্ন সাংস্কৃতিক দলসমূহৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু উদযাপন সমিতিৰ বিষয়ববীয়াই অংশ লয়। শোভাযাত্ৰাৰ ফ্লেগ অফ কৰে তালাপ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সমাজসেৱক মানৱজ্যোতি সোণোৱালে। ইয়াৰ পাছতে বিভিন্ন ক্ষেত্ৰলৈ অৱদান আগবঢ়োৱা জিলাখনৰ ২৫ গৰাকী ব্যক্তিক বিশেষ সম্বৰ্ধনা জনায়। বিয়লি উদযাপন সমিতিৰ সভাপতি সীমান্ত শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা মুকলি সভাত তেজপুৰ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য ড০ মদন শৰ্মা, অৱসৰপ্ৰাপ্ত শিক্ষা বিষয়া যোগেন্দ্ৰ নাথ বৰুৱা, সোণোৱাল-কছাৰী স্বায়ত্তশাসিত পৰিষদৰ সদস্যা দিপ্তী শইকীয়া সোণোৱাল, ধৰ্মপ্ৰাণ ব্যক্তি দেবেন্দ্ৰনাথ সন্দিকৈ, ছেখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষদ্বয় ক্ৰমে শান্তনু দাস বৰহাজোৱাল আৰু প্ৰণতি বৰুৱা, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী কনকলতা সোণোৱাল, মেগেলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ নবুল সোণোৱাল, তালাপ উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ভৈৰৱ মৰাণ, ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ জিলা সমন্বয়ক দিগন্ত কুমাৰ ভাজনীয়ে অংশ গ্ৰহণ কৰে। সন্ধিয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা শ্ৰী শ্ৰীকৃষ্ণৰ ৰাসলীলা পৰিৱেশনেৰে অনুষ্ঠানৰ সামৰণি পৰে। কালি অৰ্থাৎ ৮ জানুৱাৰীত ধৰ্মপ্ৰাণ ব্যক্তি দেবেন্দ্ৰনাথ সন্দিকৈৰ বন্তি প্ৰজ্জ্বলনেৰে শুভাৰম্ভ কৰা কাৰ্যসূচীত বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক জিতুল সোণোৱালে বিদ্যালয়ৰ পতাকা উত্তোলন কৰে। ৰূপালী জয়ন্তী বৰ্ষৰ মূল পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি সীমান্ত শৰ্মাই। ইয়াৰ পাছতে অঞ্চলটোৰ ২৪ গৰাকী বিশিষ্ট ব্যক্তিয়ে ২৪ খন পতাকা উত্তোলন কৰে। স্মৃতি তৰ্পণ কৰে বিদ্যালয়খনৰ অধ্যক্ষা বন্তি সন্দিকৈয়ে। গছপুলি ৰোপণ কৰে আৰণ্যকৰ কৰ্মী প্ৰণৱ বৰ্মনে। বিজ্ঞান আৰু চিত্ৰ প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে দিগন্ত কুমাৰ ভাজনীয়ে। মঞ্চ উদ্বোধন কৰে সাংস্কৃতিক কৰ্মী ৰমেন সোণোৱালে। ইয়াৰ পাছতে প্ৰাক্তন শিক্ষকৰ সম্বৰ্ধনা আৰু শিক্ষাৰ্থীৰ সন্মিলন অনুষ্ঠিত হয়। বিশিষ্ট লেখক-গল্প-নিবন্ধকাৰ বীৰ্কে বাহাদুৰ থাপাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা ‘ভাৰতীয় শিক্ষা আৰু সাংস্কৃতিক ক্ষেত্ৰত বিশ্বায়নৰ প্ৰভাৱ’ শীৰ্ষক আলোচনা চক্ৰত অংশগ্ৰহণ কৰে বিশিষ্ট নিৰন্ধকাৰ তথা অসম চৰকাৰৰ সাংবাদিক পেঞ্চনাৰ অমূল্য খাটনিয়াৰ, ডিগবৈ মহাবিদ্যালয়ৰ অধ্যাপক ড০ মৃণাল কুমাৰ গগৈ, সহযোগী অধ্যাপক ড০ ৰক্তিম ৰঞ্জন শইকীয়াই। বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী দেবাংগী সোণোৱালৰ সম্পাদনাত প্ৰকাশ পোৱা ৰূপালী জয়ন্তী বৰ্ষৰ স্মৃতিগ্ৰন্থ ‘তৰাৰ পদ্য আৰু গদ্য’ উন্মোচন কৰে ড০ মৃণাল কুমাৰ গগৈয়ে। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পাছতে সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হয়।

---

# নগাঁৱত ‘চাকোলা কৈৱৰ্ত্ত’ৰ জীৱনগাঁথাৰে মঞ্চস্থ ‘চাকোলা-সোণাইপৰীয়া এক কিংবদন্তি’

**ই-সংবাদ, বেবেজীয়া, ৯ জানুৱাৰীঃ** অসমৰ নাট্য জগতৰ এটি চিনাকি নাম হ’ল মেল’ডি নাট্যগোষ্ঠী। বিশিষ্ট নাট্যকৰ্মী ধ্ৰুৱজ্যোতি বৰাৰ ঐকান্তিক প্ৰচেষ্টাত পাঁচ বছৰৰ পূৰ্বে জন্মলাভ কৰা এই নাট্যগোষ্ঠীটোৱে সময়ে সময়ে ব্যতিক্ৰমী চিন্তা-ধাৰাৰে নাট প্ৰদৰ্শন কৰি নাট্যপ্ৰেমীৰ উচ্চ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। অনুৰূপ ধাৰাৰে নাট্যগোষ্ঠীটোৱে বুধবাৰে নিশা নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত মঞ্চস্থ কৰে 'চাকোলা কৈৱৰ্ত্ত' নামৰ এজন মানৱ দৰদী ব্যক্তিৰ জীৱনগাঁথাৰে ধ্ৰুৱজ্যোতি বৰাৰ ৰচনা আৰু পৰিচালনাৰে এখনি ব্যতিক্ৰমী নাট 'চাকোলা-সোণাইপৰীয়া এক কিংবদন্তি'। আচলতে, মধ্য অসমৰ নগাঁৱৰ হাতীচোং মৌজাৰ অন্তৰ্গত এটি অঞ্চল হৈছে 'চকলাঘাট'। শিক্ষা, সামাজিক, সাহিত্য, সংস্কৃতি আদি সকলোতে আগবঢ়া এই বৃহত্তৰ অঞ্চলটোৰ লগত জড়িত হৈ আছে এক জনপ্ৰবাদ। আজিৰ পৰা প্ৰায় দুশ বছৰ আগতে এই অঞ্চলৰ কাষেৰে বৈ যোৱা সোনাই নদীৰ পাৰত গঢ় লৈ উঠিছিল ঐতিহাসিক এটা ঘাট। এই ঘাটটোত চাকোলা কৈৱৰ্ত্ত নামৰ



অহা-যোৱা কৰিবৰ বাবে ভকত-বৈষ্ণৱক নদীখন নাওৰে পাৰ কৰি দিছিল। শাৰীৰিকভাৱে অক্ষম হোৱা স্বত্বেও কেৱল মানুহক সহায় কৰাৰ উদ্দেশ্যেই বহু কষ্টৰে এনে মহান কামত জড়িত থকাৰ হেতু কালক্ৰমত সেই নদীৰ ঘাটটো 'চাকোলা ঘাট' হিচাপে জনাজাত হৈ পৰাৰ লগতে তেওঁ বাস কৰা অঞ্চলটোৰ নামো চোকোলাঘাট হৈ পৰে। অৱশ্যে পিছলৈ মানুহৰ মুখ বাগৰি বাগৰি পৰৱৰ্তী পৰ্যায়ত এই অঞ্চলটোৰ নাম 'চকলাঘাট' হৈ পৰে। সেই নদীৰ ঘাটটোৱেই আজিও মানুহৰ মাজত মহামিলনৰ সাক্ষী হৈ আছে। মানৱ সেৱাক আগস্থান দিয়া মানৱ দৰদী চাকোলা কৈৱৰ্ত্তৰএজন মানৱ দৰদী ব্যক্তিয়ে নাওৰে মানুহক নদীখনৰ ইপাৰ সিপাৰ কৰিছিল। ঘাইকৈ তেওঁ নদীখনৰ উত্তৰ দিশে থকা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমি বৰদোৱালৈ জীৱন ভিত্তিক আৰু অলিখিত সেই বিশেষ ঘাটটোৰ ৰহস্যময় কাহিনীৰ আধাৰত এই অঞ্চলটোৰে সুসন্তান ধ্ৰুৱজ্যোতি বৰাই লিখি উলিৱাইছে 'চাকোলা-সোণাইপৰীয়া এক কিংবদন্তি' নাটখনি। পাহৰণিৰ গৰ্ভত হেৰাই যাব ধৰা চকলাঘাট অঞ্চলটোৰ ইতিবৃত্তি ৰাজ্যবাসীৰ লগতে নৱপ্ৰজন্মক জ্ঞাত কৰাৰ মানসেৰে ৰচনা কৰা এই নাটখনি প্ৰদৰ্শনৰ পূৰ্বে মঞ্চ মুকলি কৰে স্থানীয় বিধায়ক ৰূপক শৰ্মাই। প্ৰতিজন অভিনয় শিল্পীৰ বলিষ্ঠ অভিনয়ৰ সমান্তৰালভাৱে অঞ্জন বৰাৰ মনোমোহা মঞ্চ সজ্জা, প্ৰকাশ বৰাৰ ৰূপসজ্জা, দীপাংক শইকীয়াই সুন্দৰকৈ সজোৱা সংগীতৰ লগতে গৌতম শইকীয়াৰ পোহৰৰ মায়াজালত বেছ উপভোগ্য হৈ পৰা নাটখনি উপভোগ কৰি প্ৰতিজন দৰ্শকেই ভূয়সী প্ৰশংসা কৰাৰ লগতে মেল’ডি নাট্যগোষ্ঠীৰ এনে ব্যতিক্ৰমী প্ৰয়াসৰ শলাগ লয়।

# বালিজানৰ ক্ৰিকেট মহাৰণত ফাইনেলত ৰিলিফ ৰাইন'জ

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৯ জানুৱাৰীঃ** মৰিগাঁও জিলাৰ ৰঙাদৰীয়াৰ সমীপৰ বালিজানৰ ছানৰাইজ ক্লাবৰ উদ্যোগত বালিজান খেলপথাৰত সদৌ অসম ভিত্তিত চলি থকা "ক্ৰিকেট মহাৰণ-২০২৪/২৫" ত নগাঁৱৰ ৰিলিফ ৰাইন'ছ ফাইনেলত উপনীত হৈছে। প্ৰতিযোগিতাৰ আজি তীব্ৰ উত্তেজনাপূৰ্ণ প্ৰথমখন ছেমিফাইনেলত ৰিলিফ ৰাইন'ছ দলে নগাবন্ধাৰ সন্মিলিত এন আৰ এছ এণ্ড এছ এছক দুই উইকেটত পৰাজিত কৰে। বোমাঞ্চকৰ খেলখনত এন আৰ এছ এণ্ড এছ এছ দলে পোনতে বেট ধৰি নিৰ্ধাৰিত ১২ অভাৰত সাতটা উইকেট হেৰুৱাই ১৪৩ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ৰিলিফ ৰাইন'ছ দলটোৱে ১২ অভাৰত আঠটা উইকেটৰ বিনিময়ত ১৪৯ ৰাণ সংগ্ৰহৰে বিজয় লক্ষ্য অতিক্ৰম কৰে। নজৰুল ইছলাম আৰু জেহিৰুল হক আম্পায়াৰৰূপে থকা খেলখনত ৰিলিফ ৰাইন'ছৰ বিকী আহমেদে প্লেয়াৰ অব্ দ্যা মেচৰ বঁটা পায়। ধাৰাভাষ্যকাৰ শ্বেইখ লোকমান হেকিমে আকৰ্ষণীয় ধাৰা বিৱৰণী আগবঢ়োৱা খেলখনৰ অন্তিমটো বলত পৰাজয় বৰণ কৰিলে অভিজ্ঞতাসম্পন্ন নেকিবুৰ ৰহমান ছিদ্দিকীৰ পৰিচালনাৰ এন আৰ এছ এণ্ড এছ এছ দলটোৱে। এই বোমাঞ্চকৰ খেলখনত খেলুৱৈসকলৰ প্ৰদৰ্শনত ক্ৰীড়াপ্ৰেমী মুগ্ধ হয়। ১২ জানুৱাৰীত দ্বিতীয়খন ছেমিফাইনেলত নগাঁৱৰ পি চি চিয়ে বেচামাৰীৰ এম এইছ ইলেভেনৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

# স্থান সলনি, 'কলকাতা ডাৰ্বি' সৰুসজাইত

**গুৱাহাটী, ৯ জানুৱাৰীঃ** সুৰক্ষাৰ অভাৱত গুৱাহাটীলৈ স্থানান্তৰ কৰা হৈছে কলকাতাৰ 'কলকাতা ডাৰ্বি'। গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত শনিবাৰে মুখামুখি হ'ব কলকাতাৰ প্ৰতিদ্বন্দ্বী মোহন বাগান আৰু ইষ্ট বেংগল ফুটবল ক্লাব। আই এছ এলৰ হাই ভল্টেজ মেচখন শনিবাৰে সন্ধিয়া ৭.৩০ বজাত অনুষ্ঠিত হ'ব সৰুসজাইত। পূৰ্বে কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত খেলখন অনুষ্ঠিত হোৱাৰ কথা আছিল। কিন্তু গংগাসাগৰ মেলাৰ বাবে কলকাতা আৰক্ষীয়ে পৰ্যাপ্ত নিৰাপত্তা প্ৰদান কৰাটো সম্ভৱ নহয় বুলি অৱগত কৰাৰ পিছতে খেলখন বাতিল কৰা হয়। উল্লেখ্য যে, ১০ জানুৱাৰীৰ পৰা ১৮ জানুৱাৰীলৈ অনুষ্ঠিত হ'ব গংগাসাগৰ মেলা।



বালিজানত অনুষ্ঠিত হৈ থকা ক্ৰিকেট মহাৰণ-২০২৪/২৫ৰ ছেমিফাইনেল খেলখনৰ পূৰ্বৰ এক মুহূৰ্ত

## খেলপথাৰত নিয়ম বিৰুদ্ধ আচৰণেৰে প্ৰতিপক্ষৰ সৈতে খকা-খুন্দা

# বিৰাট কোহলিক নিষিদ্ধ কৰাৰ দাবী প্ৰাক্তন ক্ৰিকেটাৰৰ

**মেলবৰ্ণ, ৯ জানুৱাৰীঃ** খেলপথাৰৰ আচৰণক লৈ এক নতুন বিতৰ্কৰ মাজত সোমাই পৰিছে বিৰাট কোহলী। খেলপথাৰত অষ্ট্ৰেলিয়াৰ তাৰকা ছেম কনষ্টাছৰ সৈতে হোৱা সংঘাতৰ বাবে ভাৰতীয় ক্ৰিকেটাৰগৰাকীক নিষিদ্ধ কৰাৰ দাবী জনাইছে ইংলেণ্ডৰ প্ৰাক্তন পেচাৰ ষ্টিভ হাৰমিছনে। তেওঁৰ মতে, খেলপথাৰত বিৰাটৰ আচৰণ সম্পূৰ্ণ নিয়ম বিৰুদ্ধ আছিল আৰু শাস্তি হিচাপে তেওঁক নিষিদ্ধ কৰা উচিত আছিল। উল্লেখ্য যে, মেলবৰ্ণত বক্সিং ডে' টেষ্টৰ প্ৰথম দিনাই অভাৰৰ শেষত কোহলী আৰু কনষ্টাছৰ মাজত মতানৈক্য হৈছিল। উছমান খাজা আৰু আম্পায়াৰৰ হস্তক্ষেপত ঘটনাটো অৱশ্যে শাম কাটে। অৱশ্যে মেচ ৰেফাৰী এণ্ডি পাইক্ৰফ্টৰ তদন্তত বিৰাটে ইচ্ছাকৃতভাৱে ঠেলি দিয়াৰ প্ৰমাণ পোৱা গৈছে। শাস্তি হিচাপে তেওঁক এটা ডেমেৰিট পইণ্ট আৰু মেচ মাচুলৰ ২০ শতাংশ জৰিমনা বিহা হয়। সমগ্ৰ কাণ্ডৰ সন্দৰ্ভত হাৰমিছনে কয় যে, "বিৰাটে খেলপথাৰত যি কৰিলে সেয়া আইনৰ বিৰুদ্ধে আছিল। ক্ৰিকেটাৰ হিচাপে তেওঁক ভাল পাওঁ, কিন্তু খেলপথাৰত তেওঁৰ আচৰণৰ সীমা থাকিব লাগে।" অৱশ্যে হাৰমিছনে কনষ্টাছকো সকীয়াই দি কয় যে যুৱ ক্ৰিকেটাৰসকলে নিজৰ প্ৰতিদ্বন্দ্বীক অপ্ৰয়োজনীয়ভাৱে উচটনি দিয়াটো বন্ধ কৰিব লাগে। বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ শেষত বিৰাট আৰু কনষ্টাছে হাত মিলোৱা দৃশ্য দেখা যায় যদিও খেলপথাৰত এই ঘটনাই পুনৰবাৰ ক্ৰীড়াজগতত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। উল্লেখ্য যে, ইয়াৰ পূৰ্বেও কোহলীৰ আচৰণক লৈ বিতৰ্কৰ সৃষ্টি হৈছে।

# বুমৰাহৰ বল খেলা সহজ নহয়ঃ পণ্টিং

**ছিডনী, ৯ জানুৱাৰীঃ** ছিডনী টেষ্টৰ অন্তিম দিনটোত বলিং কৰিব নোৱাৰিলেও সমগ্ৰ বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীত নিজৰ অধিপত্য বিস্তাৰ কৰিববলৈ সক্ষম হৈছিল ভাৰতীয় পেচ বলাৰ যশপ্ৰীত বুমৰাহে। ৩২টা উইকেটৰে ছিৰিজৰ শ্ৰেষ্ঠ ক্ৰিকেটাৰ হোৱাৰ উপৰিও তেওঁ অষ্ট্ৰেলিয়াৰ বেটছমেনৰ বাবে বুমৰাহ হৈ পৰিছিল মূৰৰ কামোৰণি। ছিৰিজত বুমৰাহৰ এই দুৰ্দান্ত প্ৰদৰ্শনক লৈ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে অষ্ট্ৰেলিয়াৰ প্ৰাক্তন অধিনায়ক ৰিকি পণ্টিঙে। উল্লেখ্য যে, সমগ্ৰ ছিৰিজত বুমৰাহে ষ্টিভ স্মিথক তিনিবাৰ আউট কৰাৰ লগতে পাৰ্থ টেষ্টৰ প্ৰথমটো বলতে তেওঁক পেভিলিয়নমুখী কৰিছিল। ইয়াৰ পিছতে বুমৰাহৰ সন্মুখত স্মিথৰ দুৰ্বলতাৰ বিষয়ে মুকলিকৈ প্ৰকাশ কৰিছে ৰিকি পণ্টিঙে। তেওঁৰ মতে, "মই অষ্ট্ৰেলিয়াৰ ক্ৰিকেটাৰসকলৰ সৈতে কথা পাতিছিলো যে বুমৰাহ খেলিবলৈ কিয় অসুবিধা পাইছে। মই তেওঁক বহুদিনৰ পৰা চাই আছিলো। ১৭ বছৰ বয়সত প্ৰথমবাৰৰ বাবে আই পি এল খেলিবলৈ অহাৰ সময়ত মই তেওঁৰ অধিনায়কও আছিলো।" বুমৰাহৰ বলিঙৰ ৰহস্য কি? পণ্টিঙে কয়, "হাৰ্ড বলাৰৰ সৈতে মোকাবিলা কৰাত স্মিথৰ কৌশল ভাল। কিন্তু বুমৰাহৰ বলৰ গতি আৰু হাতৰ কৌশল ইমানেই ব্যতিক্ৰম যে স্মিথেও আগতীয়াকৈ অনুমান কৰিব নোৱাৰে। সাধাৰণতে তেওঁৰ বলটো বুজিবলৈ চাৰি-পাঁচটা ডেলিভাৰী লাগে, কিন্তু মাজতে ওলাই অহাৰ আশংকা এতিয়াও আছে।" পণ্টিঙে লগতে কয় যে হাৰ্ড পিটছত বুমৰাহক খেলাটো আৰু অধিক প্ৰত্যাহ্বানজনক। অষ্ট্ৰেলিয়াৰ প্ৰাক্তন ক্ৰিকেটাৰগৰাকীয়ে কয়, "যেতিয়া আপুনি হাৰ্ড পিটচত বুমৰাহক খেলিবলৈ যায়, তেতিয়া আপুনি আপোনাৰ বেছিক প্লেয়িং ষ্ট্ৰেটেজী নিখুঁত কৰিব লাগিব। অন্যথা খুব সোনকালে আউট হৈ ওলাই আহিব লাগিব।"

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। মুখ্য সম্পাদকঃ ড০ দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি